২০১৬ খ্ৰীষ্টাব্দ
ISSN 2349-8943

# সংস্কৃত সংস্কৃতিঃ

## নাট্যশাস্ত্ৰ বিশেষ

দশম সংখ্যা

সংস্কৃত বিভাগ
ডিব্ৰু মহাবিদ্যালয় ঃ ডিব্ৰুগড়

সম্পাদনা
ড০ অদিতি বৰুৱা

ISSN : 2349-8943

# সংস্কৃত সংস্কৃতিঃ

## নাট্যশাস্ত্র বিশেষ
## দশম সংখ্যা, ২০১৬

সংস্কৃত বিভাগ আৰু IQAC

ডিব্ৰু মহাবিদ্যালয় ঃ ডিব্ৰুগড়

249

সম্পাদনা

ড° অদিতি বৰুৱা

**SANSKRIT SANSKRITIH,** a collection of essays edited by Sanskrit Department and published by Principal, Dibru College, Dibrugarh in collaboration with IQAC, Dibru College, Dibrugarh, Assam. Printed at Kaustubh Printers, Dibrugarh-3. 9th Publication : August, 2016.

© Copyright reserved.

**ISSN 2349-8943**

Price : ₹ 50.00 only.

সম্পাদনা সমিতি

| | | |
|---|---|---|
| মুখ্য উপদেষ্টা | ঃ | ড° নগেন শইকীয়া |
| | | ড° অশোক কুমাৰ গোস্বামী |
| | | ড° ৰাজেন্দ্ৰ নাথ শৰ্মা |
| মুখ্য উপদেষ্টা | ঃ | ড° পৰেশ বৰুৱা |
| সম্পাদিকা | ঃ | ড° অদিতি বৰুৱা |
| সদস্য | ঃ | মধুমিতা গোস্বামী বৰঠাকুৰ |
| | | নন্দিতা বৈশ্য |
| | | মনোজ কুমাৰ শৰ্মা |
| | | প্ৰণৱ পাল |
| | | সুনেত্ৰা বেনাৰ্জী |

**সংস্কৃত সংস্কৃতি ঃ** সংস্কৃত বিভাগ, ডিব্ৰু মহাবিদ্যালয়ৰ দ্বাৰা সম্পাদিত। IQAC ডিব্ৰু মহাবিদ্যালয়, ডিব্ৰুগড়ৰ সহযোগত আৰু অধ্যক্ষ, ডিব্ৰু মহাবিদ্যালয়ৰ দ্বাৰা প্ৰকাশিত।

**দশম প্ৰকাশ ঃ** চেপ্তেম্বৰ, ২০১৬ খ্ৰীষ্টাব্দ।

© সৰ্বস্বত্ব সংৰক্ষিত।

মূল্য ঃ ৫০.০০ টকা মাত্ৰ।

মুদ্ৰক ঃ ‘কৌস্তুভ প্ৰিণ্টাৰ্ছ, মিলন নগৰ, ডিব্ৰুগড় - ৩।



## উছৰ্গা

আনন্দৰাম বৰুৱা ভাষা-কলা-সাংস্কৃতিক
সংস্থাৰ প্ৰথম সন্মানীয় আনন্দৰাম বৰুৱা বঁটা প্ৰাপক
সংস্কৃত পণ্ডিত ৰজনী কান্ত দেৱ শৰ্মাদেৱৰ
স্মৃতিত ‘সংস্কৃত-সংস্কৃতিঃ’ৰ
দশম সংখ্যাটি
উছৰ্গা কৰা হ’ল।

# অৱতৰণিকা

ভাৰতবৰ্ষত প্ৰাচীনকালৰ পৰাই নাটকৰ প্ৰচলন আছিল। সম্ভৱতঃ গ্ৰীকসকলৰ আগমনৰ বহু পূৰ্বৰ পৰা এই কলাৰ চৰ্চা ভাৰতীয়সকলে কৰিছিল। যাৰ প্ৰমাণ লাভ কৰা যায় যজুৰ্বেদত পোৱা 'শৈলুষ' (সঙ্গীতজ্ঞ বা নৰ্তক) শব্দৰ পৰা, পাণিনিৰ 'অষ্টাধ্যয়ী'ত লাভ কৰা শিলালী আৰু কৃশাশ্বৰ 'নটসূত্ৰ'ৰ পৰা অথবা পতঞ্জলিৰ 'মহাভাষ্য'ত উল্লিখিত নাট্য সম্বন্ধীয় উদাহৰণ সমূহৰ পৰা। নাট্যকলা সম্বন্ধীয় গ্ৰন্থসমূহৰ ভিতৰত ভৰত বিৰচিত 'নাট্যশাস্ত্ৰ'ই প্ৰাচীনতম। অগ্নিপুৰাণতো নাট্যকলা সম্বন্ধে আলোচনা লাভ কৰা যায় যদিও উল্লেখযোগ্য ভাৱে তাত 'নাট্যশাস্ত্ৰ'ৰ বিভিন্ন অংশ হুবহু লাভ কৰা যায়।

'নাট্যশাস্ত্ৰ'ৰ ৰচনা কাল আৰু ৰচয়িতা সম্বন্ধেও বিভিন্ন মত পোৱা যায়। ৰচনা কালৰ ক্ষেত্ৰত ইতিহাসবিদ সকলে অৱশেষত এইবুলি মত প্ৰকাশ কৰিছে যে এটা নিৰ্দিষ্ট সময়ৰ ভিতৰত এই গ্ৰন্থখন ৰচিত হোৱা নাই। বিভিন্ন সংযোজন আৰু পৰিবৰ্তনৰ ফলত সৃষ্টি হোৱা এই গ্ৰন্থখনৰ ৰচনাৰ শেষ সীমা খ্ৰীষ্টীয় অষ্টম শতিকাৰ অন্তিম ভাগ বুলি জনা যায়। এই গ্ৰন্থখনৰ আন এটা নাম 'নাট্যবেদ' আৰু ইয়াক উপবেদৰ অন্তৰ্ভুক্ত কৰা হৈছে। কল্লিনাথে 'সংঙ্গীত ৰত্নাকৰ'ৰ টীকাত কৈছে যে গীতৰ প্ৰাধান্য হেতু নাট্যশাস্ত্ৰ গান্ধৰ্ববেদ আৰু অভিনয়ৰ প্ৰাধান্যলৈ চাই ই নাট্যবেদ। আকৌ গ্ৰন্থখনত কাৰিকাৰ উপৰিও গদ্যৰীতিও উপলব্ধ হোৱা বাবে অনেকে ইয়াক 'নাট্যসূত্ৰ' বুলিও উল্লেখ কৰে। এই গ্ৰন্থখনৰ অভিনৱগুপ্তই ৰচনা কৰা টীকাৰ নাম 'নাট্যবেদবিবৃতি'। লুপ্তপ্ৰায় হৈ পৰা এই 'নাট্যশাস্ত্ৰ'ক ফ্ৰিট্জ এডৱাৰ্ড হল নামৰ এজন পণ্ডিতে ১৮৬৫ চনত পুনৰুদ্ধাৰ কৰে।

নাট্যশাস্ত্ৰ ৰচনাৰ মূল উদ্দেশ্য নাট্যশাস্ত্ৰৰ ভাষাতেই এনেধৰণৰ—

'ধৰ্ম্যমৰ্থং যশস্যং চ সোপদেশং সসংগ্ৰহম্।
ভৱিষ্যতশ্চ লোকস্য সৰ্বকৰ্মানুদৰ্শকম্।।
সৰ্বশাস্ত্ৰাৰ্থসম্পন্নং সৰ্বশিল্প প্ৰদৰ্শকম্।
নাট্যাখ্যং পঞ্চমং বেদং সেতিহাসং কৰোম্যহম্।।

(১/১৪-১৫)

অৰ্থাৎ মই ইতিহাস লৈ পঞ্চম নাট্যবেদ সৃষ্টি কৰিম, যি ধৰ্ম, অৰ্থ, আৰু যশলাভৰ উপায় হ'ব, য'ত সদুপদেশ আৰু নীতিৰ সংগ্ৰহ থাকিব, যি ভৱিষ্যতে মানুহৰ সকলো কৰ্মৰ পথ-প্ৰদৰ্শক হব আৰু সৰ্বশাস্ত্ৰৰ অৰ্থযুক্ত এই গ্ৰন্থ হ'ব সকলো শিল্পৰ প্ৰদৰ্শক। সেইবাবেই ঋকবেদৰ পৰা পাঠ্যবস্তু, সামবেদৰ পৰা গান , যজুৰ্বেদৰ পৰা অভিনয় আৰু অথৰ্ববেদৰ পৰা ৰস লৈ বেদ-উপবেদেৰে নিবদ্ধ নাট্যবেদ নামৰ পঞ্চম বেদৰ সৃষ্টি হৈছিল বুলি জনা যায়। নাট্যশাস্ত্ৰত আলোচনা নোহোৱা বিষয়-বস্তু বোধকৰো নাই। ভৰত মুনিৰ ভাষাতেই

'ন তৎ জ্ঞানং ন তৎ শিল্পং ন সা বিদ্যা ন সা কলা।
ন স যোগো ন তৎ কৰ্ম নাট্যেऽস্মিন্ যন্ন দৃশ্যতে।।'

(১/১১৬)

অৰ্থাৎ এনে কোনো জ্ঞান, শিল্প, বিদ্যা, কলা, যোগ অথবা কৰ্ম নাই যি নাট্যশাস্ত্ৰত উপলব্ধ নহয়। নাট্যশাস্ত্ৰৰ বিষয়-বস্তুৰ ভিতৰত প্ৰৱেশ কৰিলে দেখা যায় নাটৰ উৎপত্তিৰ পৰা অভিনয় আৰু নাট্যশাস্ত্ৰলৈকে, কাব্যৰ লক্ষণৰ পৰা ছন্দ- অলংকাৰলৈকে, প্ৰেক্ষাগৃহ নিৰ্মাণৰ পৰা তাল আৰু নৃত্যৰ বিধানলৈকে সকলোবোৰ বিষয়েই অতি বিজ্ঞানসন্মত ভাৱে আলোচিত। সেইবাবেই নাট্যশাস্ত্ৰ পৰবৰ্তী লিখকসকল যেনে ধনঞ্জয়, বিদ্যানাথ, বিদ্যাধৰ, বিশ্বনাথ কবিৰাজ, ৰজা শিঙ্গভূপাল, ৰূপ গোস্বামী, সুন্দৰ মিশ্ৰ, শাৰ্ঙ্গদেৱ, কালিদাসৰ ৰচনাত নাট্যশাস্ত্ৰৰ প্ৰভাৱ সুস্পষ্ট ভাৱে পৰিলক্ষিত হয়।

'সংস্কৃত-সংস্কৃতি' ডিব্ৰু মহাবিদ্যালয়ৰ সংস্কৃত বিভাগৰ মুখপত্ৰ। নাট্যশাস্ত্ৰৰ বৈশিষ্ট্য আৰু অৰ্বাচীন কালত এই গ্ৰন্থৰ প্ৰাসঙ্গিকতাৰ প্ৰতি দৃষ্টি দি এই বছৰৰ সংখ্যাটি ভৰতৰ 'নাট্যশাস্ত্ৰ'ক আধাৰ কৰি বিশেষ সংখ্যা হিচাপে প্ৰকাশ কৰাৰ সিদ্ধান্ত লোৱা হ'ল। ১৯৯১ চনত নিত্যানন্দ শাস্ত্ৰীদেৱে এই গ্ৰন্থখনৰ আঠোটা অধ্যায় অসমীয়ালৈ অনুবাদ কৰে আৰু অসম নাট্য সন্মিলনে ১৯৯১ চনতে প্ৰকাশ কৰি উলিয়ায়। এই কামত ড° মুকুন্দ মাধৱ শৰ্মাদেৱে সংশোধন, সংযোজন আৰু সম্পাদনাৰ কাম কৰিছিল। আনন্দৰাম বৰুৱা ভাষা-কলা-সাংস্কৃতিক সংস্থাৰ প্ৰথম সন্মানীয় আনন্দৰাম বৰুৱা বঁটা প্ৰাপক ৰজনী কান্ত দেৱ শৰ্মায়ো এই গ্ৰন্থখন অসমীয়া ভাষালৈ অনুবাদ কৰিছিল যদিও প্ৰকাশৰ মুখ নেদেখিলে। সেইজন বৰেণ্য সংস্কৃত পণ্ডিতৰ প্ৰতি শ্ৰদ্ধা জনাই এই সংখ্যা 'সংস্কৃত-সংস্কৃতি' উছৰ্গা কৰা হ'ল। আমাৰ এই প্ৰচেষ্টাত সঁহাৰি দি ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ প্ৰাধ্যাপক ড° নৱকুমাৰ সন্দিকৈ, গুৱাহাটী বিশ্ববিদ্যালয়ৰ সংস্কৃত বিভাগৰ প্ৰাধ্যাপক ড° শ্ৰুতিধৰা চক্ৰৱৰ্তী, শ্ৰীযুত বনমালী পাল, ডাঃ দিশা ডুবে, শ্ৰী বিনী শইকীয়া আৰু শ্ৰী চয়নিকা গোস্বামীয়ে তেখেতসকলৰ বহুমূলীয়া লিখনী প্ৰদানেৰে উৎসাহিত কৰিলে। এই খিনিতে আটাই কেইগৰাকী লিখকলৈ আমাৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। ডিব্ৰু মহাবিদ্যালয়ৰ অধ্যক্ষ ড° পৰেশ বৰুৱাদেৱ আৰু IQAC ৰ সহযোগিতাৰ অবিহনে এই সংখ্যাটিয়ে প্ৰকাশৰ মুখ নেদেখিলেহেঁতেন। এই আপাহতে অধ্যক্ষ মহোদয় আৰু ডিব্ৰু মহাবিদ্যালয়ৰ IQACলৈ সম্পাদকৰ মেজৰ পৰা ধন্যবাদ যাচিছোঁ। তদুপৰি মুখ্য উপদেষ্টা ড° নগেন শইকীয়া, ড° অশোক কুমাৰ গোস্বামী, ড° ৰাজেন্দ্ৰ নাথ শৰ্মা, বিভাগীয় প্ৰধান মধুমিতা গোস্বামী বৰঠাকুৰৰ সময়োচিত দিহা-পৰামৰ্শই আলোচনীখনৰ সৌষ্ঠৱ বৃদ্ধিত সহায় কৰিলে। তেখেতসকললৈকো আমাৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলোঁ। সময়মতে আলোচনীখন ছপা কৰি প্ৰকাশৰ মুখ দেখুওৱাৰ বাবে কৌস্তুভ প্ৰকাশনৰ স্বত্বাধিকাৰী প্ৰমুখ্যে সমূহ কৰ্মচাৰীও আমাৰ ধন্যবাদৰ পাত্ৰ।



জয়তু সংস্কৃত মাতৰম্।

অদিতি বৰুৱা
সম্পাদক, সংস্কৃত-সংস্কৃতি
সংস্কৃত বিভাগ
ডিব্ৰু মহাবিদ্যালয়।

## বিভাগীয় প্ৰধানৰ কলমৰ পৰা....

'সংস্কৃত-সংস্কৃতি'ৰ দশম সংখ্যাটি পাঠকৰ হাতত তুলি দিবলৈ পাই আমি অতি আনন্দিত হৈছোঁ আৰু গৌৰৱ বোধ কৰিছোঁ। 'সংস্কৃত-সংস্কৃতি'ৰ জন্মৰ উদ্দেশ্য হ'ল সংস্কৃত ভাষা প্ৰচাৰৰ সামান্য চেষ্টা মাত্ৰ। গতিকে সহজ-সৰল ভাষাত সাধাৰণ পাঠকেও বুজি পাব পৰাকৈ সংস্কৃত সাহিত্যৰ বিভিন্ন দিশবিলাক পাঠকৰ আগত ডাঙি ধৰাই হ'ল 'সংস্কৃত-সংস্কৃতি'ৰ উদ্দেশ্য। এই উদ্দেশ্য আগত ৰাখিয়েই আমি ডিব্ৰু মহাবিদ্যালয়ৰ সংস্কৃত বিভাগৰ তৰফৰ পৰা ২০০৪ চনৰ পৰাই এই আলোচনী খন প্ৰকাশ কৰি আহিছোঁ। আমাৰ কাৰণে অত্যন্ত গৌৰৱৰ কথা যে ২০১৪ বৰ্ষত এই আলোচনীখনে ISSN ৰ মৰ্যাদাও লাভ কৰিলে।

'সংস্কৃত-সংস্কৃতি'ৰ দশম সংখ্যাটো আমি বিশেষভাৱে ভৰতৰ 'নাট্যশাস্ত্ৰ'ৰ ওপৰত আধাৰ কৰি প্ৰকাশ কৰিছোঁ। এই কথা উল্লেখ কৰিবলৈ পায়ো আমি অত্যন্ত সুখী হৈছোঁ যে এই আলোচনীখনৰ নৱম সংখ্যাটিয়েও সংস্কৃত প্ৰেমীসকলৰ বিশেষ সমাদৰ লাভ কৰিছে। এইবছৰৰ সংখ্যাটিয়েও সংস্কৃত প্ৰেমী পাঠক আৰু বিশেষকৈ আমাৰ ছাত্ৰ-ছাত্ৰীসকলক উপকৃত কৰিব।

'সংস্কৃত-সংস্কৃতি'ৰ দশম সংখ্যাটিৰ প্ৰধান সম্পাদকৰ দায়িত্ব মূৰ পাতি লোৱা বাবে মই সহকৰ্মী ড° অদিতি বৰুৱাক কৃতজ্ঞতা জনাইছোঁ। যি সকলৰ লেখনীয়ে আলোচনীখন সমৃদ্ধ কৰিলে সেইসকলৰ ওচৰতো আমি চিৰকৃতজ্ঞ। সদৌশেষত ডিব্ৰু মহাবিদ্যালয় কৰ্তৃপক্ষই আৰ্থিক অনুদানেৰে আমাক সহায়ৰ হাত আগবঢ়োৱা বাবে বিভাগৰ পক্ষৰ পৰা আন্তৰিক কৃতজ্ঞতা জনালোঁ।

মধুমিতা গোস্বামী বৰঠাকুৰ
বিভাগীয় প্ৰধান
সংস্কৃত বিভাগ,
ডিব্ৰু মহাবিদ্যালয়।

## সূচী

- অৱতৰণিকা — ৫
- ভৰতৰ ৰসসূত্ৰ আৰু তাৰ ব্যাখ্যা — ১১
  ✍ ড° নৱকুমাৰ সন্দিকৈ
- **Architecture in Nātyaśāstra** — ২১
  ✍ Dr. Shrutidhara Chakravarty
- नाट्शास्त्रीय सिद्धान्तों के अनुसार प्रतीक–नाटकों की अभिनेयता : अमृतोदयम् के विशेष संदर्भ में — ৩১
  ✍ डॉ. दिशा दुबे (पूर्व अग्निहोत्री)
- ভরতের নাট্যশাস্ত্র — ৩৯
  ✍ শ্রী বনমালী পাল
- **The hand Gestures of the *Nāṭyaśāstra* with a Comparision to *Abhinayadarpaṇa*** — ৫৭
  ✍ Sayanika Goswami
- নাট্যশাস্ত্ৰ আৰু সাহিত্য-দৰ্পণত অলঙ্কাৰ — ৭০
  ✍ ড° অদিতি বৰুৱা
- सुभाषितानि — ৮০

ISSN : 2349-8943

# ভৰতৰ ৰসসূত্ৰ আৰু তাৰ ব্যাখ্যা

ড° নৰকুমাৰ সন্দিকৈ
প্ৰাধ্যাপক, অসমীয়া বিভাগ
ডিব্ৰুগড় বিশ্ববিদ্যালয়

ৰস শব্দই সাধাৰণতে ভাল লগা, ভালপোৱা বা আনন্দ পোৱা বুজায়। সেয়েহে 'ৰসালাপত মজি থকা', 'ৰসতে মত্ত হৈ থকা', 'ৰসতে মচগুল হোৱা' আদি খণ্ডবাক্যৰ ব্যৱহাৰ কৰা হয় আনন্দ লাভ কৰাৰ সমাৰ্থক ৰূপে। ব্যুৎপত্তিগতভাৱে ৰস শব্দই যাক আস্বাদ কৰিব বা পান কৰিব পাৰি তাকে বুজায়। 'ৰস্যতে ইতি ৰসঃ' — যাক চেকি চাব পাৰি সিয়েই ৰস। আস্বাদযোগ্যতা আছে বাবে ইয়াৰ ইন্দ্ৰিয় হৈছে জিভা আৰু জিভাই আস্বাদন কৰা ছবিধ ৰস হৈছে — কটু (জলা), তিক্ত (তিতা), অম্ল (টেঙা), মধুৰ (মিঠা), লৱণ (নিমখীয়া) আৰু কষায় (কেঁহা)। এইবিলাক লৌকিক ৰস। কাব্যত অৱশ্যে ৰস শব্দই আনন্দ প্ৰাপ্তি অৱস্থা এটা বুজায়। ইয়েই কাব্যানন্দ। কবিয়ে নিজৰ অসাধাৰণ বৰ্ণনা চাতুৰ্যৰদ্বাৰা সহৃদয়ৰ মনোজগতত একপ্ৰকাৰৰ অলৌকিক আনন্দানুভূতিৰ সৃষ্টি কৰে। ইয়াৰ নামেই হৈছে কাব্যৰস। সাধাৰণ অৰ্থত ইয়েই হৈছে সাহিত্যত ৰস। কাব্যপাঠ বা শ্ৰৱণ, নাট্যদৰ্শন, চিত্ৰকলা তথা ভাস্কৰ্য আদিৰ দৰ্শনত ওপজা ইন্দ্ৰিয়াতীত আনন্দ বা সুখবোধক এই ৰসৰ দ্বাৰা বুজোৱা হয়।

সাহিত্যৰ ৰসৰ এক চমৎকাৰময় পৰিচয় আছে। ই লৌকিক ষড়ৰসৰপৰা ভিন্ন। পাৰ্থিৱ জগতৰ আনন্দৰ লগত এই আনন্দ একেবাৰে নিমিলে। জাগতিক আনন্দ ভিন্ন ভিন্ন সমস্যাৰে সমাক্ৰান্ত। এনে আনন্দ দেশ, কাল, অৱস্থা, আপোন-পৰ আদি বিভিন্ন ধৰণৰ ভেদ বিভাগেৰে সীমাবদ্ধ। কিন্তু কাব্যৰ আনন্দত এই সীমাবদ্ধতা নাথাকে। ই অসীম, অনন্ত। কোনো ধৰণৰ কালিক বা ভৌগোলিক সীমাৰেখাৰে ইয়াক বান্ধিব নোৱাৰি। ই কোনো ব্যক্তিবিশেষৰ আনন্দ নহয়। নিৰ্বিশেষ বাবেই কাব্যানন্দক ব্ৰহ্মানন্দৰ লগত তুলনা কৰা হৈছে। সৎ, চিৎ আৰু আনন্দময়

স্বৰূপবিশিষ্ট ব্ৰহ্মৰ সৈতে মিলিত হোৱা আনন্দৰ লগত তুলনা কৰিছে সাহিত্যদৰ্পণৰ ৰচয়িতা কবিৰাজ বিশ্বনাথে —

সত্ত্বোদ্ৰেকাদখণ্ডস্বপ্ৰকাশানন্দচিন্ময় ঃ।
ৱেদ্যান্তৰস্পৰ্শশূন্যো ব্ৰহ্মাস্বাদসহোদৰঃ।।
লোকোত্তৰচমৎকাৰপ্ৰাণঃ কৈশ্চিৎপ্ৰমাতৃভিঃ।
স্বাকাৰৱদভিন্নত্বেনায়মাস্বাদ্যতে ৰসঃ।।[১]

অৰ্থাৎ — 'সত্বগুণৰ প্ৰকাশৰ ফলত উৎপাদিত হোৱা ৰস হৈছে অখণ্ড, স্বপ্ৰকাশিত, আনন্দময় আৰু চিন্ময়। ই সকলো ধৰণৰ প্ৰত্যক্ষ বস্তুৰ স্পৰ্শৰ পৰা আঁতৰত। ই ব্ৰহ্মাস্বাদৰ সহোদৰ স্বৰূপ; ইয়াৰ প্ৰাণ হৈছে লোকোত্তৰ বিস্ময়। যিসকলৰ ইয়াৰ মাজতে নিমজ্জিত হ'বলৈ বা ইয়াৰ লগত একীভূত হ'ব পৰাৰ ক্ষমতা আছে, তেনেলোকেহে ইয়াক আস্বাদন কৰিব পাৰে।"

অৱশ্যে ব্ৰহ্মাস্বাদ আৰু ৰসাস্বাদৰ মাজত কিছু পাৰ্থক্যও নথকা নহয়। ব্ৰহ্মাস্বাদ বা ব্ৰহ্মানন্দ জাগতিক পৰিতৃপ্তিৰ উৰ্ধত। ই প্ৰকাশযোগ্য নহয়। ই হৈছে নিৰাসক্তিময় আৰু স্বাভিমান বা স্বাত্মাৰ বিলোপ সাধন কৰা বিশেষ আনন্দস্বৰূপ। সাংসাৰিক পৰিমণ্ডলৰপৰা দূৰ-সুদূৰত অৱস্থিত ধ্যানস্থ ঋষি-মুনিসকলেহে এনে আনন্দক পৰিপূৰ্ণভাৱে উপভোগ কৰিব পাৰে। কাব্যানন্দ লাভ কৰিব পাৰি নাট্যাভিনয় দৰ্শন বা কাব্যাদি পঠন বা শ্ৰৱণৰদ্বাৰা। ই অনুভৱযোগ্য নহয়। এনে আনন্দই পাঠকৰ মনক দ্ৰৱীভূত, বিস্তাৰিত আৰু বিকশিত কৰা আৰু চমৎকাৰাত্মক অনুভূতিৰ উৎপত্তি কৰে। এনে আনন্দ লাভৰ সময়ত পাঠকৰ সাময়িকভাৱে আত্মবিলুপ্তি ঘটিলেও পাঠক বা দৰ্শক পূৰ্ণমাত্ৰাই জগতপ্ৰপঞ্চৰপৰা আঁতৰি নাযায়। কাব্যপাঠ বা নাট্যদৰ্শনৰ সমাপ্তি ঘটিলে পুনৰ সাংসাৰিক প্ৰাত্যহিকতাত সোমাই পৰে। গতিকে এনে আনন্দ ব্ৰহ্মানন্দৰ সহোদৰহে, প্ৰকৃত ব্ৰহ্মানন্দ নহয়। ব্ৰহ্মানন্দ হৈছে এক প্ৰকাৰ নিবৃত্তি।

ৰসৰ সূত্ৰ — ভৰত মুনিয়েই হৈছে ৰসতত্ত্বৰ প্ৰথম প্ৰৱৰ্তক। এইগৰাকী মুনিৰদ্বাৰা বিৰচিত নাট্যশাস্ত্ৰ হৈছে নাট্য বিষয়ক এখন বিশ্বকোষসদৃশ গ্ৰন্থ। ছয়ত্ৰিশটা অধ্যায় যুক্ত এই গ্ৰন্থখনৰ ষষ্ঠ অধ্যায়ত নাটকত ৰসৰ প্ৰয়োগৰ কথা বিবৰি কৈছে। প্ৰথমে তেওঁ 'ন হি ৰসাদৃতে কশ্চিদ্যপ্যৰ্থঃ প্ৰৱৰ্ততে' [২] — অৰ্থাৎ ৰস ব্যতিৰেকে কোনো অৰ্থ থাকিব নোৱাৰে বুলি, কৈ ৰসৰ সূত্ৰটো দাঙি ধৰিছে এনেদৰে — 'তত্ৰ ৱিভাৱানুভৱব্যভিচাৰি সংযোগাদ্ৰসনিষ্পত্তিঃ' [৩] — অৰ্থাৎ বিভাৱ, অনুভাৱ আৰু ব্যভিচাৰিভাৱৰ সহযোগত ৰসৰ নিষ্পত্তি হয়।

তাৰপাছত মুনিয়ে ৰসৰ দৃষ্টান্ত সম্পৰ্কত কৈছে, —"কো দৃষ্টান্তঃ। অত্ৰাহ -



- যথা নানা ব্যঞ্জনৌষধিদ্ৰব্যসংযোগাদ্ৰসনিষ্পত্তিঃ, তথা নানাভাৱোপগমাদ্ৰসনিষ্পত্তিঃ। যথা হি গুড়াদিভিৰ্দ্ৰব্যৈৰ্ব্যঞ্জনৈৰোষধিভিশ্চ ষাড়ৱাদয়ো ৰসা নিৰ্বৰ্ত্যন্তে, তথা নানা ভাৱোপগতা অপি স্থায়িনো ভাৱা ৰসত্বমাপ্নুৱন্তীতি। অত্ৰাহ — ৰস ইতি কঃ পদাৰ্থঃ? উচ্যতে — আস্বাদ্যত্বাৎ। কথমাস্বাদ্যতে ৰসঃ? অত্ৰোচ্যতে - যথাহি নানাৱ্যঞ্জনসংস্কৃতমন্নং ভুঞ্জানা ৰসানাস্বাদয়ন্তি সুমনসঃ পুৰুষা হৰ্ষাদীংশ্চাপ্যধিগচ্ছন্তি, তথা নানাভাৱাভিনয়ব্যঞ্জিতান্ ৱাগঙ্গসত্বোপেতান্ স্থায়িতাভাৱানাস্বাদয়ন্তি সুমনসঃ প্ৰেক্ষকা হৰ্ষাদীংশ্চাধিগচ্ছন্তি। 'তস্মান্ নাট্যৰসাঃ' ইত্যভিৱ্যাখ্যাতাঃ।"[৪]

— 'ইয়াৰ দৃষ্টান্ত কি? উত্তৰত কোৱা হৈছে — যেনেদৰে নানাবিধ ব্যঞ্জন আৰু ওষধি বস্তুৰ সংযোগত এটা ৰস বা সোৱাদৰ সৃষ্টি হয়, তেনেকৈ নানাবিধ ভাৱৰ লগত স্থায়ীভাৱৰ সংযোগ ঘটিলে ৰসৰ উৎপত্তি হয়। যেনেকৈ গুড়, ব্যঞ্জন আৰু ওষধি দ্ৰব্যৰ সংমিশ্ৰণৰ পৰা ছটা ৰস নিবৰ্তিত হয়, তেনেকৈ নানাভাৱৰ লগত স্থায়ীভাৱৰ সংমিশ্ৰণ ঘটিলে ৰসত্ব পায়। তাৰপাছত আকৌ প্ৰশ্ন কৰা হৈছে — ৰস মানে কি পদাৰ্থ? উত্তৰ হৈছে — যাৰেই সোৱাদ লোৱা হৈছে, সেয়ে ৰস। যেনেকৈ নানাবিধ ব্যঞ্জনৰ লগত সানি ভাত খালে সজলোকে ৰস অৰ্থাৎ সোৱাদ অনুভৱ কৰে আৰু মনত আনন্দ পায়, তেনেকৈ সজ মনৰ দৰ্শকসকলে নানাভাৱৰ অভিনয়ৰদ্বাৰা অভিব্যক্ত মুখৰ বচন, অঙ্গ সঞ্চালন আৰু কঁপনি আদি সাত্ত্বিকভাৱৰ লগত জড়িত স্থায়ীভাৱসমূহৰ আস্বাদ লাভ কৰে আৰু আনন্দও লাভ কৰে। এনেদৰেই নাট্যৰসবিলাকৰ ব্যাখ্যা কৰা হ'ল।'

নাট্যশাস্ত্ৰৰ এই সূত্ৰটোৰ মতে স্থায়ীভাৱৰেই ৰসত্ব প্ৰাপ্তি ঘটে যেতিয়া ই বিভাৱ, অনুভাৱ আৰু ব্যভিচাৰীভাৱৰ লগত সংযুক্ত সামাজিকৰ অন্তৰত অভিব্যক্ত হয়। গতিকে ৰসসৃষ্টিৰ প্ৰধান উপকৰণ হৈছে স্থায়ীভাৱ আৰু ইয়াৰ অনুকূলে বিভাৱাদিৰ পূৰ্ণ সমাবেশ বা সংযোগ ঘটিব লাগিব। ৰসাস্বাদৰ পৰ্যায়টো বুজিবলৈ হ'লে এইবিলাক ভাবৰ বিষয়ে যথাযথ জ্ঞান থকাটো প্ৰয়োজন।

স্থায়ীভাব — এই ভাববিলাক মানৰ মনত চিৰকাল সঞ্চিত হৈ থাকে আৰু কাব্যপাঠ বা নাট্যদৰ্শনৰ সময়ত ই মনোজগতৰ পৰা ওলাই আহি আস্বাদযোগ্য হয়। ভৰতৰ মতে এই স্থায়ী ভাব আঠপ্ৰকাৰৰ — ৰতি, হাস, শোক, ক্ৰোধ, উৎসাহ, ভয়, জুগুপ্সা আৰু বিস্ময়। পিছৰ কালৰ ভালেমান আলংকাৰিকে শম বা নিৰ্বেদ বুলি আন এক প্ৰকাৰৰ স্থায়ীভাৱো স্বীকাৰ কৰিছে।

বিভাৱ — ৰতি, হাস আদি স্থায়ীভাৱ সদায়ে মানুহৰ মনত বাসনাৰূপে থাকে

আৰু যাৰ সহায়ত ই জাগ্ৰত বা পৰিপুষ্ট হয়, তাকেই বিভাৱ বোলা হয়। ইয়াৰ প্ৰভাৱত ভাববোৰ উদ্বুদ্ধ হৈ বিভাৱিত হয়। এই স্থায়ীভাৱৰ উদ্বোধক বা উৎপাদকবোৰেই কাব্য-নাট্যত বিভাৱ নাম পায়। ই দুবিধ — আলম্বন বিভাৱ আৰু উদ্দীপন বিভাৱ। যাক অৱলম্বন কৰি স্থায়ীভাব অভিব্যক্ত হয়, সি হৈছে আলম্বন বিভাৱ আৰু যি ইয়াক পৰিপুষ্ট বা উদ্দীপিত কৰে সিয়েই উদ্দীপন বিভাৱ।

অনুভাব-অন্তৰত ভাবৰ উদ্ৰেক হ'লে তাৰ প্ৰতিক্ৰিয়া শৰীৰত প্ৰকাশিত হয় আৰু কাব্য-নাট্যৰ সহায়ত শৰীৰত এনে চিহ্ন উপস্থাপিত হ'লে তাক অনুভাৱ বুলি কোৱা হয়। ভাব পিছত আহে বাবে ইয়াক অনুভাব বোলা হৈছে। ইয়াৰ দুটা ভাগ — কৃত্ৰিম আৰু সাত্ত্বিক। কৃত্ৰিম অনুভাৱ যত্ন সহকাৰে কৰা শাৰীৰিক চেষ্টা। আনহাতে সাত্ত্বিক অনুভাৱ ব্যক্তিৰ ইচ্ছাশক্তিৰ ওপৰত নিৰ্ভৰ নকৰে। ই নিজে নিজেই শৰীৰত দেখা দিয়ে আৰু কষ্ট কৰিও দমন কৰিব নোৱাৰি। প্ৰণয়ীজনে প্ৰণয়িনীক লগ পাবলৈ কৰা চেষ্টা, শাৰীৰিক কৰ্ম আদি কৃত্ৰিম অনুভাৱ আৰু প্ৰিয়জনৰ সাক্ষাতত হোৱা মৃদু কঁপনি, বাকশক্তিহীন হোৱা অৱস্থা বা গাল-মুখ ৰঙা পৰা আদি হৈছে সাত্ত্বিক ভাব। এই ভাব হৈছে এক স্বাভাৱিক প্ৰক্ৰিয়া। ইয়াক বলেৰে অনুশাসন কৰিব নোৱাৰি। সাত্ত্বিকভাৱ আঠপ্ৰকাৰৰ — স্তম্ভ (ঠেট্ মট্ খোৱা), স্বেদ (ঘাম), ৰোমাঞ্চ (গাৰ নোসমৰ শিহৰণ), স্বৰভঙ্গ (বাকশক্তিৰ কম্পন), বেপথু (কঁপনি), বিবৰ্ণতা (শেঁতা পৰা), অশ্ৰু (চকুলো) আৰু প্ৰলয় (মূৰ্চা)।

ব্যভিচাৰী — স্থায়ীভাবৰ উদয়ৰ পিছত সাত্ত্বিক অনুভাৱবোৰ দেখা পোৱা যায়। ইয়াৰ লগে লগে বিভিন্ন বৃত্তি বা ভাব কিছুমান মনোজগতত অহা যোৱা কৰি থাকে আৰু শৰীৰতো তাৰ অভিব্যক্তি ঘটে। এনেদৰে অহা-যোৱা কৰা বা সঞ্চৰণ কৰি থকা ভাববিলাকক সঞ্চাৰী বা ব্যভিচাৰীভাব বোলা হয়। এই ভাববিলাক সাধাৰণতে স্থায়ীভাৱক কেন্দ্ৰ কৰি থাকে। নায়ক-নায়িকাৰ পৰস্পৰৰ ভালপোৱা বা ৰতিভাৱ আছে আৰু দুয়ো দুয়োকে লাভ কৰিবৰ বাবে অভিলাষ কৰে। এনে অৱস্থাত পোৱা-নোপোৱাৰ ভালেমান মানসিক বৃত্তি যেনে উৎকণ্ঠা, লাজ, ভয়, শঙ্কা আদি ভাববোৰ মনোজগতত অহা-যোৱা কৰি থাকে। এই ভাববোৰৰ মূলতে হৈছে ৰতিভাব আৰু এই ৰতিভাব নাইকিয়া হ'লে এইবিলাকো অন্তৰ্ধান হয়। এই ব্যভিচাৰীভাবৰ সংখ্যা হৈছে তেত্ৰিশ বিধ — নিৰ্বেদ (বৈৰাগ্য), গ্লানি (ক্লান্তি), শঙ্কা (সংশয়), অসূয়া (অসহিষ্ণুতা), মদ (মত্ত), শ্ৰম, আলস্য, দৈন্য, চিন্তা, মোহ, স্মৃতি, ধৃতি, ব্ৰীড়া (লাজ), চপলতা, হৰ্ষ, আবেগ, জড়তা, গৰ্ব, বিষাদ, উৎসুকতা, নিদ্ৰা, অপস্মাৰ (মগজুৰ ৰোগ বিশেষ), ত্ৰাস আৰু বিতৰ্ক।



কাব্য-নাট্যত মূল স্থায়ীভাৱটো যেনেদৰে ৰসযুক্ত হয়, কেতিয়াবা কেতিয়াবা এই সঞ্চাৰী ভাববিলাকো ৰসময় আৰু আনন্দদায়ক হয়। কোনো কোনো ক্ষেত্ৰত এইবিলাক বেছিহে প্ৰকাশক্ষম হৈ উঠে আৰু স্থায়ীভাৱক ম্লান কৰি পেলায়। অৱশ্যে ইয়াৰ অনুভৱ প্ৰায়ে সাময়িক।

এতিয়া ৰসসূত্ৰটোৰ সাধাৰণ অৰ্থ হ'ব — বিভাব, অনুভাৱ আৰু সঞ্চাৰীভাৱৰ সমাবেশত পৰিস্ফুট বা অভিব্যক্ত হোৱা স্থায়ীভাৱেই হৈছে ৰস। অৱশ্যে এই কথা স্মৰ্তব্য যে এই গোটেই কেউটা উপকৰণ যে একেলগে একে সময়তে থাকিবই লাগিব, তেনে নহয়। কেতিয়াবা কোনো এটাৰ হীনডেঢ়ি ঘটিলেও ৰসৰ বিচ্যুতি নঘটে অৰ্থাৎ ৰসত্ব প্ৰাপ্তি নোহোৱাকৈ নাথাকে।

ৰসনিষ্পত্তি — ভৰতে সূত্ৰটোত নিষ্পত্তি শব্দটো ব্যৱহাৰ কৰিছে। এই শব্দটোৱে প্ৰকৃততে কি অৰ্থ প্ৰকাশ কৰিছে তাক স্পষ্টকৈ বুজিব পৰা নাযায়। বেলেগ বেলেগ আলংকাৰিকে ইয়াৰ বেলেগ বেলেগ অৰ্থ কৰিছে। কোনোৱে উৎপত্তি, কোনোৱে অনুমিতি, কোনোৱে ভুক্তি আৰু কোনোবাই অভিব্যক্তি অৰ্থত ইয়াক ব্যৱহাৰ কৰিছে আৰু তেনেকৈ ৰসসূত্ৰৰ ক্ষেত্ৰত চাৰিটা মতবাদৰ সৃষ্টি হৈছে। অৱশ্যে প্ৰথম তিনিটা মতবাদৰ প্ৰৱৰ্তকসকলে ৰচনা কৰা কোনো অলংকাৰ গ্ৰন্থ এতিয়ালৈকে উদ্ধাৰ হোৱা নাই। তেওঁলোকৰ মতবাদ খণ্ডন কৰিবলৈ যাওঁতে অভিব্যক্তিবাদৰ প্ৰৱৰ্তক অভিনৱগুপ্তৰ আলোচনাতহে এই মতবাদবোৰ উল্লেখ আছে সেই উল্লেখৰ আধাৰতে এইবিলাকৰ চমু পৰিচয় তলত দিয়া হ'ল।

দশম শতিকাৰ দ্বিতীয়াৰ্ধৰ কাশ্মীৰী আলংকাৰিক অভিনৱগুপ্তই 'অভিনৱভাৰতী' নামৰ নাট্যশাস্ত্ৰৰ এটা টীকা প্ৰস্তুত কৰে। ইয়াতে তেওঁৰ পূৰ্বজ তিনিজন পণ্ডিতৰ মতবাদবোৰ খণ্ডন কৰিছে। এই তিনিজন আলংকাৰিক হৈছে — ভট্টলোল্লট, শ্ৰীশঙ্কুক আৰু ভট্টনায়ক।

নৱম শতিকাৰ ভট্টলোল্লটকে ৰসসূত্ৰৰ প্ৰথম ব্যাখ্যাকাৰ বুলি ধৰা হয়। তেওঁৰ মতে বিভাৱ, অনুভাৱ আৰু ব্যভিচাৰীভাৱৰ সংযোগৰ ফলত ৰসৰ উৎপত্তি হয়। তেওঁ ৰসক কাৰ্য আৰু বিভাৱক ইয়াৰ কাৰণ বুলি কৈ ৰস আৰু বিভাৱৰ কাৰ্য-কাৰণ অৰ্থাৎ উৎপাদক-উৎপাদ্যৰ সম্পৰ্ক দেখুৱাইছে। সেয়েহে ইয়াৰ নাম উৎপত্তিবাদ। তেওঁ কয় যে বিভাৱে স্থায়ীভাৱটো জাগ্ৰত কৰে, অনুভাৱে ইয়াক প্ৰকাশিত কৰে আৰু ব্যভিচাৰীভাৱে ইয়াৰ পৰিপুষ্টি সাধন কৰি ৰসৰ পূৰ্ণতা আনে।

লোল্লটৰ মতে ৰস হৈছে পৰিপুষ্টি লাভ কৰা এক অনুভূতি-বিশেষ। এই ৰস আচলতে মূল চৰিত্ৰ অৰ্থাৎ ৰাম আদিতে থাকে। নিপুণ আৰু কৌশলী অভিনেতা-

অভিনেত্ৰীৰ ওপৰতে অভিনয় মুগ্ধ দৰ্শকসকলে চৰিত্ৰৰ মৌলিকতা আৰোপ কৰি লয় আৰু মূল চৰিত্ৰৰ ভাবানুভূতিবোৰ অভিনেতা-অভিনেত্ৰীৰ ওপৰতে আৰোপ কৰি আনন্দ লাভ কৰে।

শ্ৰীশঙ্কুক হৈছে ভট্টলোল্লটৰ পিছৰ আলংকাৰিক। তেওঁ ৰসক স্থায়ীভাবৰ পৰিপুষ্ট অৱস্থা বোলা লোল্লটৰ অভিমতটো মানি লোৱা নাই। তেওঁ কয় যে ৰস হৈছে এটা অনুকৃত মানসিক অৱস্থা। বেশভূষা, ভাষা, সঙ্গীত ইত্যাদিৰ সহায়ত অভিনেতাই মূল ঐতিহাসিক চৰিত্ৰৰ সফল ৰূপায়ণ কৰে আৰু দৰ্শকসকলেও এক বিশেষ ধৰণৰ অনুমানেৰে অভিনেতাকে মূল চৰিত্ৰ বুলি ধৰি লয়। এনে ধৰণৰ অনুমান-জ্ঞান অন্য সাধাৰণ জ্ঞানৰপৰা পৃথক। সাধাৰণতে জ্ঞান বা প্ৰতীতি চাৰি প্ৰকাৰৰ। এয়া হৈছে — যথাৰ্থ প্ৰতীতি - যেনে, এইজন দেৱদত্ত। মিথ্যা প্ৰতীতি - যেনে, এইজন দেৱদত্ত নহয়। সাদৃশ্য প্ৰতীতি - যেনে, এইজন দেৱদত্তৰ নিচিনা আৰু সংশয় প্ৰতীতি যেনে - এইজন দেৱদত্ত হ'বও পাৰে, নহ'বও পাৰে। শঙ্কুকৰ মতে নাট্য দৰ্শনত এনে ধৰণৰ চাৰিপ্ৰকাৰ জ্ঞান নহয়। তেওঁৰ মতে এই জ্ঞান এটা ঘোঁৰাৰ ছবি দেখি ঘোঁৰাৰ ধাৰণা হোৱাৰ দৰে জ্ঞান (চিত্ৰতুৰগন্যায়ানুসাৰিণী প্ৰতীতি)। ঘোঁৰাৰ ছবি দেখিয়েই ঘোঁৰা দেখা বুলি গ্ৰহণ কৰা হয়। মঞ্চত অভিনয় চাই থাকোঁতে দৰ্শকে ওপৰৰ চাৰিটা প্ৰতীতিৰ কথা মনলৈ ননাকৈয়ে চিত্ৰৰ ঘোঁৰাৰ দৰে অভিনেতাকে মূল চৰিত্ৰ বুলি অনুমান কৰি স্থায়ীভাবৰ লগত সম্বন্ধ ঘটায় আৰু আনন্দময় অৱস্থাৰ যোগেদি উপভোগ কৰে। উপভোগ্যতা আছে বাবেই ই ৰস নাম পায়। যিহেতু চিত্ৰৰ ঘোঁৰাৰ দৰে এক বিশেষ ধৰণৰ অনুমানৰ দ্বাৰা সম্ভৱ হয় বাবে ইয়াক অনুমিতিবাদ বোলে।

খ্ৰীষ্টীয় দশম শতিকাৰ প্ৰথম ভাগৰ কাশ্মীৰৰ আলংকাৰিক ভট্টনায়কে অৱশ্যে ৰসৰ উৎপত্তি বা অনুমান সমৰ্থন নকৰে। তেওঁৰ মতে, ৰসৰ উৎপত্তি নহয় অথবা স্মৰণো নহয়। ৰসৰ উৎপত্তি হোৱা হ'লে করুণ ৰসৰ উৎপত্তিয়ে আনন্দ দিয়াৰ সলনি দুখহে দিলেহেঁতেন। আনহাতে পূৰ্বৰ অস্তিত্বযুক্ত বস্তুৰো স্মৰণ হয়।

ভট্টনায়কে ইয়াক বুজাবৰ বাবে কাব্য বা নাটকৰ শব্দৰ তিনিটা শক্তিৰ কথা স্বীকাৰ কৰিছে। এইকেইটা হৈছে — অভিধা, ভাৱকত্ব আৰু ভোজকত্ব। অভিধা শব্দটো পিছে তেওঁ ব্যাপক অৰ্থত ব্যৱহাৰ কৰি অভিধাৰ লগতে লক্ষণাকো সামৰি লৈছে। কাব্য-নাট্যত ব্যৱহৃত শব্দবিলাকৰ অভিধা শক্তিৰদ্বাৰা বিভাৱ, অনুভাৱ আৰু ব্যভিচাৰীভাৱৰ কথা বুজিব পাৰি। ভাৱকত্ব বোলা শক্তিটোৰে কাব্য বা নাট্যত যিটো বস্তু উপস্থাপিত কৰা হয়, তাক আনৰপৰা আঁতৰাই সাধাৰণীকৰণ কৰে।



এই ভাৱকত্বই ৰাম-সীতা আদিৰ ঐতিহাসিক পাত্ৰ-পাত্ৰীৰ চাৰিত্ৰিক গুণটো আঁতৰাই সাধাৰণ নৰ-নাৰী ৰূপে প্ৰতিষ্ঠিত কৰে আৰু তেনেকৈ নন্দনতাত্ত্বিক অনুভূতি লাভ কৰাত সহায় কৰে। এই ভাৱকত্ব শক্তিৰ ফলস্বৰূপেই ৰাম-সীতা বা দুষ্যন্ত শকুন্তলাৰ প্ৰেম অনাসক্ত প্ৰেমৰ ৰূপত দৰ্শকৰ ওচৰত ধৰা দিয়ে অৰ্থাৎ দৰ্শকৰ মনৰ পৰা জাগতিক ভাবনাবোৰ নাইকিয়া কৰি ৰাম-সীতা বা দুষ্যন্ত-শকুন্তলাক সাধাৰণ নৰ-নাৰীলৈ ৰূপান্তৰ কৰে। সেইবাবে ই সাধাৰণীকৰণ শক্তি। ইয়াৰ ফলত বিভাৱ, অনুভাৱ আৰু স্থায়ীভাৱবোৰ নিজৰ চাৰিত্ৰিক বৈশিষ্ট্য হেৰুৱাই সাধাৰণ ইন্দ্ৰিয়গ্ৰাহ্য ৰূপ পৰিগ্ৰহণ কৰে। ইয়াৰ পিছতে আহে ভোজকত্ব শক্তি। এই শক্তিৰ দ্বাৰা মনক বিক্ষিপ্ত কৰি ৰখা ৰজো গুণ আৰু তমো গুণ তিৰোহিত হয় আৰু মনত সত্ত্বগুণে বিৰাজ কৰে। তেতিয়া মন এক আনন্দময় অৱস্থাত উপনীত হয়। এই আনন্দ প্ৰাপ্তিয়েই হৈছে ৰসাস্বাদ। ৰস হৈছে আত্মাৰ ভোগ বা ভুক্তি আৰু সেইবাবেই এই তত্ত্বৰ নাম ভুক্তিবাদ।

অভিনৱগুপ্তই তেওঁৰ 'অভিনৱভাৰতী' টীকাত এই তিনিটা মতবাদ খণ্ডন কৰি নিজৰ অভিব্যক্তিবাদ মতটো উপস্থাপন কৰিছে। তেওঁ ভট্টনায়কৰ সাধাৰণীকৰণ প্ৰক্ৰিয়াটোক বিশ্বাস কৰে, কিন্তু ভট্টনায়কৰ দৰে ভাৱকত্ব শক্তিৰদ্বাৰা ই সংঘটিত নহৈ ই আপোনা আপুনি হয় বুলি মত প্ৰকাশ কৰিছে। তেওঁৰ মতে শব্দৰ ব্যঞ্জনা শক্তিয়ে মনৰ অবিদ্যা আঁতৰাই নি চেতনাৰ আনন্দময় অৱস্থাখিনি প্ৰকাশিত কৰে। এই প্ৰকাশেই হৈছে অভিব্যক্ত আৰু সেইবাবেই ইয়াৰ নাম অভিব্যক্তিবাদ।

ৰঙ্গমঞ্চত অভিনয় চাই থাকোঁতে দৰ্শকৰ মন অন্যান্য বৈষয়িক চিন্তাৰপৰা আঁতৰি যায়। অভিনেতাৰ সুনিপুণ অভিনয়, সংলাপ আৰু যন্ত্ৰ-সংগীতৰ ফলত দৰ্শকৰ অন্তৰ অভিনীত কাৰ্যকলাপত নিমগ্ন হৈ পৰে অৰ্থাৎ তেওঁ ৰসানুভূতিত মজ্জিত হৈ পৰে। অভিনৱ গুপ্তৰ মতে ই হৈছে মনৰ এক চমৎকাৰাত্মক অৱস্থা।

অন্ধকাৰ কোঠালি এটাত থকা 'ঘট' এটাত পোহৰ পেলালে 'ঘট'টো প্ৰকাশিত বা অভিব্যক্ত হোৱাৰ দৰে শব্দৰ ব্যঞ্জনা বৃত্তিৰ সময়ত মনৰ ৰস প্ৰকাশিত হয় আৰু তেতিয়া ৰসাস্বাদ সম্ভৱ হয়। সেইবাবে ৰসাস্বাদৰ অন্য নামবোৰ হৈছে চৰ্বণা, আস্বাদ বা ৰসনা।

ভট্টনায়কৰ দৰেই অভিনৱগুপ্তই ৰসাস্বাদন অলৌকিক প্ৰক্ৰিয়া বুলি গ্ৰহণ কৰিছে। অভিনৱগুপ্তৰ এই অভিব্যক্তিবাদ মতটোকে পাছত আলংকাৰিকসকলে প্ৰায় একেমুখে স্বীকাৰ কৰি ল'লে। তেওঁৰ এই তত্ত্বটো ত্ৰৈলোক্য নাথ গোস্বামীৰ

ভাষাত এনেদৰে সামৰিব পাৰি[১] — ‘অভিনৱ গুপ্তৰ মতে পৰম আনন্দ হ’ল নিজৰ সত্তাৰ পূৰ্ণ জ্যোতিৰ প্ৰকাশ। আমাৰ ব্যৱহাৰিক জীৱনত বিভিন্ন বাসনাৰ মাজত আমি মগ্ন হৈ থাকোঁ। এজন মানুহৰ ভোক লাগিলে খাদ্যৰ চিন্তাই তেওঁৰ মনটো আগুৰি ধৰে। তেতিয়া আত্ম-জিজ্ঞাসা সম্ভৱ নহয়; গতিকে তেনে অৱস্থাত পৰম আনন্দ লাভ সম্ভৱ হ’ব নোৱাৰে। যদি মানুহজনৰ উদৰ পূৰ্ণ হয়, তেতিয়া তেওঁৰ মনলৈ আহে আন চিন্তা। এটা বস্তুৱে আন এটা বস্তুৰ প্ৰতি থকা আগ্ৰহ বঢ়াই তোলে। এই বাবে বাসনা-পূৰণৰপৰা প্ৰকৃত আনন্দ লাভ হ’ব নোৱাৰে। ব্যৱহাৰিক জীৱনত আমি যেনে ধৰণৰ আনন্দ পাওঁ সেই আনন্দই আন বস্তু পোৱাৰ আকাংক্ষা নিৰ্মূল কৰিব নোৱাৰে আৰু এই কাৰণেই ই অসম্পূৰ্ণ আনন্দ। এটা সুস্বাদু বস্তু খালে আমি আনন্দ পাওঁ। এই আনন্দ চেতনাৰ এটা অৱস্থা মাথোন; কিন্তু কাব্য-পাঠ নাইবা নাট্যাভিনয় দৰ্শনৰূপে আমি আন একপ্ৰকাৰ আনন্দ লাভ কৰোঁ। এই আনন্দ নিৰাসক্ত আৰু বীতবিঘ্ন; গতিকে ই ব্যৱহাৰিক জীৱনত পোৱা আনন্দতকৈ বেলেগ। ই অতুলনীয় আনন্দ আৰু এয়েই ৰস। মিষ্টিক আৰু নন্দনতাত্ত্বিক অভিজ্ঞতাবোৰৰ পৰা অকল যে অলৌকিক আনন্দ লাভেই হয় তেনে নহয়, কিন্তু এনে আনন্দৰ মাজত বিস্ময় ভাবো সন্মিলিত হৈ আছে। অভিনৱগুপ্তৰ মতে জীৱনৰ সকলো ধৰণৰ অভিজ্ঞতাৰ মাজতে এনে বিস্ময়কৰ ভাব মিহলি হৈ থাকে কিন্তু নন্দনতাত্ত্বিক অভিজ্ঞতাৰ মাজত এনে বিস্ময় উন্নত ৰূপত দেখিবলৈ পোৱা যায়।’[৫]

ৰসৰ সংখ্যা — ভৰতে আঠোটা স্থায়ীভাবৰ বিপৰীতে আঠোটা ৰসৰ কথা উল্লেখ কৰিছে। সেই মতে ৰতি স্থায়ীভাবৰ ৰস হৈছে শৃঙ্গাৰ, হাসৰ হাস্য, শোকৰ কৰুণ, ক্ৰোধৰ ৰৌদ্ৰ, উৎসাহৰ বীৰ, ভয়ৰ ভয়ানক, জুগুপ্সাৰ বীভৎস আৰু বিস্ময়কৰ অদ্ভুত ৰস। ভৰতে কৈছে —

‘শৃঙ্গাৰহাস্যকৰুণা ৰৌদ্ৰবীৰভয়ানকাঃ।
বীভৎসাদ্ভুতসংজ্ঞৌ চেত্যষ্টৌ নাট্যে ৰসাঃ স্মৃতাঃ।।’[৬]

— শৃঙ্গাৰ, হাস্য, কৰুণ, ৰৌদ্ৰ, বীৰ, ভয়ানক, বীভৎস আৰু অদ্ভুত — এই আঠোটা নাট্যৰস বুলি জনা যায়।’

উদ্ভট আৰু অভিনৱগুপ্তই শম নামৰ স্থায়ীভাব এটা যোগ দি তাৰপৰা উদ্ভুত শান্ত নামৰ এটা ৰসৰ উল্লেখেৰে ৰসৰ সংখ্যা ন-বিধ বুলি কৈছে। কিন্তু কালক্ৰমে ভালেমান আলংকাৰিকে ৰসৰ সংখ্যা বৃদ্ধি কৰিছিল। কবিৰাজ বিশ্বনাথে বাৎসল্য ৰসক যোগ দি ৰসক দহ-বিধ, ৰুদ্ৰটে ন-বিধৰ লগত প্ৰেয় ৰসৰ উল্লেখেৰে দহবিধ,



ভোজৰাজ ন-বিধৰ লগতে প্ৰেয়স, উদাত্ত আৰু উদ্ধত ৰসক যোগ দি বাৰবিধ, কৰ্ণপূৰকে পূৰ্বৰ আঠবিধৰ লগত শান্ত, বাৎসল্য, প্ৰেমা আৰু ভক্তিক যোগ দি বাৰবিধ আৰু হৰিপালদেৱে ন-বিধৰ লগত ব্ৰাহ্ম, বাৎসল্য, সম্ভোগ আৰু বিপ্ৰলম্ভ ৰসক যোগ দি তেৰবিধ ৰসৰ কথা কৈছে। এনেদৰে অৱশ্যে ৰসৰ সংখ্যা বৃদ্ধি কৰাটো সুখকৰ কথা নহয়। সেইবাবেই ভট্টলোল্লটে ৰস অনন্ত বুলি কৈ ভৰত মুনিৰ আঠবিধ ৰসৰ ওপৰতে গুৰুত্ব দিছে। শান্ত ৰসক নাটকত ৰূপায়িত কৰিব নোৱাৰি বাবে চাগে মুনিয়ে শান্তক ৰসৰূপে স্বীকৃতি নিদিলে। কিন্তু কাব্যত শান্তৰসৰ প্ৰয়োগ যথেষ্ট পৰিমাণে পোৱা যায়। গতিকে ৰসৰ সংখ্যা ন-বিধ বোলাই সমীচীন।

ভৰতে আঠোটা ৰসৰ উল্লেখ কৰি চাৰিটা ৰসক মুখ্য স্থান দিছে। সেইকেইটা হৈছে — শৃঙ্গাৰ, ৰৌদ্ৰ, বীৰ আৰু বীভৎস। তেওঁ দেখুৱাইছে যে বাকীকেইটা ৰস এই চাৰিটাতে নিহিত হৈ আছে। সেইমতে শৃঙ্গাৰৰসত হাস্যৰস, ৰৌদ্ৰৰসত কৰুণৰস, বীৰৰসত অদ্ভুতৰস বীভৎস ৰসত ভয়ানক ৰস নিহিত হৈ আছে। এই চাৰিযোৰ ৰসৰ গুণ ইহঁতৰ ভুক্তি বা আস্বাদৰ ওপৰত নিৰ্ভৰ কৰিছে। শৃঙ্গাৰ আৰু হাস্যৰসৰ আস্বাদনৰ সময়ত মন উৎফুল্ল হয়, ৰৌদ্ৰ আৰু কৰুণ ৰসত মনে প্ৰসাৰতা লাভ কৰে, বীৰৰস আৰু ভয়ানক ৰসৰ ভুক্তিৰ সময়ত মনত উত্তেজনাৰ সৃষ্টি হয় আৰু ভয়ানক ৰস আৰু বীভৎসৰসৰ আস্বাদনে মনক বিবুদ্ধিত পেলায়।

সংস্কৃত অলংকাৰশাস্ত্ৰত ৰসতত্ত্বৰ আলোচনা-বিলোচনাই এক গুৰুত্বপূৰ্ণ ভূমিকা লৈছে। ৰসৰ আস্বাদযোগ্যতা, ইয়াৰ আনন্দধৰ্মিতা আদি সকলোবোৰ আলংকাৰিকে মানি লৈছে। এই ৰসৰ ওপৰত ইমান বেছি গুৰুত্ব দিয়া বাবেই বিশ্বনাথে কাব্যৰ সংজ্ঞা প্ৰদান কৰি ক’লে — ‘ৰসাত্মকং ৱাক্যং কাৱ্যম্।’[৬]

অৱশ্যে এনে ৰসগ্ৰহণৰ ক্ষমতা দৰ্শক বা পাঠকসকলৰ থাকিব লাগিব। কবিসকল যেনেকৈ শব্দ নিৰ্মাণত কুশলী তেনেকৈ দৰ্শক-পাঠকসকলো কুশলী বা পাকৈত হ’ব লাগিব। সেয়ে ৰসগ্ৰাহী পাঠকসকলক সহৃদয়, সামাজিক, প্ৰমাতা আদি নামকৰণ কৰা হৈছে। কবিৰ হৃদয়ৰ সৈতে সমান হৃদয়ৰ অধিকাৰীজনেই সহৃদয়। এনেগুণবিশিষ্ট পাঠক-দৰ্শকে কাব্যৰ ৰসাস্বাদ কৰিব পাৰে।

ভৰতে নাট্যাভিনয়ৰ লগত সঙ্গতি ৰাখিহে ৰসসূত্ৰৰ পাতনি মেলিছিল। পাছৰ আলংকাৰিকসকলে কাব্যৰ ক্ষেত্ৰতো ইয়াৰ সুপ্ৰয়োগ ঘটাই কাব্য-নাট্য উভয়কে সামৰি ল’লে আৰু ৰসবাদক প্ৰতিষ্ঠা কৰিলে। ◆◆

পাদটীকা

১) সাঃ দঃ ৩-৩, পৃঃ ৪৮-৪৯

২) নাঃ শাঃ, ৬ষ্ঠ অঃ, পৃঃ ৩৩
৩) নাঃ শাঃ, ৬ষ্ঠ অঃ, পৃঃ ৩৪
৪) নাট্যশাস্ত্র - ৬ষ্ঠ অধ্যায়, পৃঃ ৮৭-৯০
৫) নন্দনতত্ত্ব ঃ প্ৰাচ্য আৰু পাশ্চাত্য - ত্ৰৈলোক্যনাথ গোস্বামী, পৃ. ৪০১
৬) নাঃ শাঃ, ৬-১৫, পৃঃ ১৮
৭) সাঃ দঃ, ১ ম পঃ, পৃঃ ১৯

প্ৰসংগ গ্ৰন্থ —

১. নাট্যশাস্ত্ৰ ঃ অনু ঃ নিত্যানন্দ শাস্ত্ৰী
২. নাট্যশাস্ত্ৰ ( দ্বিতীয় ভাগ) ঃ অনু ঃ পাৰসনাথ দ্বিবেদী
২. সাহিত্যদৰ্পণ ঃ কবিৰাজ বিশ্বনাথ,
৩. সাহিত্য দৰ্শন ঃ আচাৰ্য মনোৰঞ্জন শাস্ত্ৰী
৪. নন্দনতত্ত্ব ঃ প্ৰাচ্য আৰু পাশ্চাত্য ঃ ত্ৰৈলোক্যনাথ গোস্বামী
৫. History of Sanskrit Poetics : P.V. Kane

ISSN : 2349-8943

# Architecture in Nāṭyaśāstra

**Dr. Shrutidhara Chakravarty**
Prof. Dept. of Sanskrit
Gauhati University

The *Nāṭyaśāstra* of Bharata is the earliest extant treatise on Indian dramaturgy. It is considered to be the 'Pañcama Veda' i.e., the fifth Veda.[1] In this treatise every aspect of dramaturgy has been discussed in detail. While doing so Bharata has also stated about construction of the theatre hall, where *nāṭya* is to be staged. When we come across these discussions, it becomes apparent that Bharata's views are based on science. Going through the passages of this great work one can very easily have an idea as to how advanced was the society of ancient India even in the field of architecture.

The second chapter of the *Nāṭyaśāstra* deals with the topic on construction of the *nāṭyagṛha*, i.e., the theatre hall. The chapter is named as prekṣāgṛhalakṣaṇam.[2] The chapter consists of 190 verses. Out of these 35 verses can be kept aside as these deal with rituals only and hence hardly have any relevance for our present discussion. Therefore, we have 74 verses left to us from the second chapter of the *Nāṭyaśāstra* as solid examples to find out as to how advanced was the architecture of ancient India.

Apparently, the text of the *Nāṭyaśāstra* is often clumsy, confusing and even contradictory. It is more so as the main discussions are often mixed with injunctions for superstitious rituals. It becomes further more confusing when read with the commentaries, as commentators differ in their views. Yet

a careful study of the text can help us in having some ideas about the construction of the theatre hall.

Bharata speaks about three kinds of theatre hall from the viewpoint of shape. These are – *vikṛṣṭa, caturaśra* and *tryaśra*.[3] Scholars explain these terms as – *vibhāgena kṛṣṭaḥ dīrghaḥ iti vikṛṣṭa*, meaning thereby that it is *vikṛṣṭa*, where length is more than the breadth. *Catasrasu dikṣu sāmyena iti caturaśraḥ*, meaning thereby, that it is called *caturaśra*, where all four sides are equal. Again *'tisro aśrayaḥ tryaśrī,'* which means that it is called *tryśra*, which has three angles.[4]

After a careful study of the *Nāṭyaśāstra* on types of theatre hall, we can find that there appear two contradictory views. Abhinavagupta, the famous commentator on the *Nāṭyaśāstra*, has pointed out these two views[5] and later modern scholars have quoted him.[6] These are as follows- according to one view, *vikṛṣṭa* is *jyeṣṭha* (big), *caturaśra* is (medium) and *tryaśra* is *avara* (small).[7] The other view divides each *vikṛṣṭa, caturaśra* and *tryśra* into *jyeṣṭha, madhya* and *avara*, thus getting nine types, which when measured in *hastas* and *daṇḍas*, would finally be eighteen in number.[8]

At this point of our discussion we should explain the terms *hasta* and *daṇḍa*. *Hasta* and *daṇḍa* are units of measurements used in ancient India. *Hasta* literally means a hand i.e., the portion of a hand measuring from the elbow to the tip of the middle finger. We find several units of ancient measurement in the *Nāṭyaśāstra*. It says that the smallest unit of measurement is *aṇu* (atom). A table of measurement is given as follows : eight *aṇus* make one *raja* (dust), eight *rajas* make one *bāla* (hair end), eight *bālas* are equal to one *likṣā* (nit), eight *likṣās* are equal to one *yūkā* (lice), eight *yūkās* make one *yava* (barely grain), eight *yavas* make one *aṅgula* (finger), twenty four *aṅgulas* make one *hasta* (hand) and four *hastas* make one *daṇḍa* (stick).

Going back to our discussion on contradictory views in



the text, we find that besides the above mentioned two contradictory views, there are many other ambiguties in the *Nāṭyasastra*. For example, in one place Bharata has said that the big hall will have 108 *hastas*, the middle will have 64 *hastas* and the small one will be of 32 *hastas*.[10] But in another place, while speaking about the *vikṛṣṭa* type of hall (which he mentions to be the big one) he says that its measurement should be 64 × 32 *hastas*.[11]

Here we would like to put our own submission in this regard. In doing so, we would keep in our mind that during the time of Bharata, people had lot of limitations while staging a play, as they did not have advanced scientific devices like electric lights to illuminate the house or mike system to make utterances clearly audible to the audience.

First of all, we would like to opine that Bharata's intention is never to say about eighteen varieties of theatre houses. He has nowhere mentioned this number. In fact, he has said about the breadth of a theatre hall in two places only and there he speaks about 32 *hastas* to be the breadth of the theatre halls.[12] So, we can safely say that he wants the breadth of the houses to be not more than 32 hands i.e., 48 feet, as one hand consists of one and a half feet, as known from the measurements still used in the rural areas of modern India. Again 4 *hastas* make 1 *daṇḍa*. If we measure the breadth in terms of the *daṇḍa* unit of measurement and take the breadth to be 32 *daṇḍas*, then in terms of feet it becomes 48 × 4 = 192 feet, which is too big a measurement for a theatre hall of those days, where there were above mentioned limitations in staging a play. Hence, according to us, when Bharata says that measurement of the theatre halls can be taken in terms of both the units – *hasta* and *daṇḍa*, he must have meant that the same length can be expressed either in the unit of a hand or that of a stick. Therefore, when the breadth of hall is said to be 32 hands, in terms of stick it will be equal to 8 sticks, as 1 stick is equal to 4 hands.

Bharata has indicated that theatre house of all three

shapes can be big, medium and small. But it is very evident that from the viewpoint of conveinence he has suggested that a theatre hall should not normally be bigger than 64 × 32 square hands.[13] Again if 32 hands be the breadth of the house of all the shapes then obviously the rectangular one will be the biggest, the square one will be medium and the triangular one will be the small. The reasoning solves many of the above mentioned controversies.

But whatever may be the confusions in the text or in the minds of the commentators, it is found that Bharata has actually discussed only about three types of theatre houses – naming them as *vikṛṣṭa*, *caturaśra* and *tryśra*. These divisions are made from the viewpoint of their shapes and not sizes. From the viewpoint of sizes they may be big, medium and small, but he has stated that the theatre hall of the size of 64 x 32 hands will be the best. And this falls under the category of rectangular shape, i.e., the *vikṛṣṭa* type.

At the very outset of his discussion on the first category of the theatre hall, Bharata opines in two places that the medium size of a theatre hall is the best, as it has certain advantages. The audience can clearly see the actors in the stage and what is said in the stage can easily be heard.[14]

According to Bharata, before construction of the theatre hall, the soil must be tested carefully. It must be even (*sama*), firm or compressed (*sthira*), hard (*kaṭhina*) and black or white in colour.[15] The soil should then be ploughed and bones, nails, skulls, grasses, clump of trees etc. are to be removed.[16] After the cleansing of the soil in this way, the land should be measured for construction. It is to be noted here that according to geological science, the soils that are black or white in colour are sticky, and very hard. Construction over such kind of soils is expected to be long lasting. But these kinds of soils generally contain impure things like humus. Hence it is a very apt instruction that such soils are to be purified before constructions are made over them. Then the soil should be measured with a white thread. The measuring tape should be free from joints.[17]



Measuring 64 hands in length and 32 hands in breadth, the plot should then be divided into two equal halves, one for the auditorium and the other for the stage. The stage is then divided into two equal halves again – the front and the rear, the latter being the green room. The front part is divided into two parts. The part behind is said to be the head of the stage (*raṅgaśīrṣa*) and the middle of the segment front part is the stage proper (*raṅgapīṭha*). In the *raṅgapīṭha* the proper acting is done.[18] Importance is given in erecting four major pillars. These should be made of wood and should be placed very firmly.[19]

The stage proper (*raṅgapīṭha*) will be 8 × 16 hands, the back stage will be 8 × 32 hands and the greenroom will be 16 × 32 hands. By both the sides of the stage proper, two portions, each measuring 8 × 8 hands, are to be kept. These are named as *mattavāraṇīs*. These two portions are to be 27 inches (one and half *hastas*) higher than the floor of the auditorium.[20] Some scholars opine that they are to be higher than the stage proper.[21] But in our opinion a careful study of the text shows that Bharata actually wants them to be at equal level with the stage proper.[22] Moreover, if *mattavāraṇīs* are constructed at a higher level than the stage proper, then these will bar the viewers in having a clear sight of the performance on the stage. Scholars differ in their opinion regarding the utility of these two places at the stage. Some say that these are to be used to bar the audience to be very near the stage, while others opine that these are to be used as wings.[23] In our opinion these seem to be very big places for the said purposes. Probably these are kept aside to be used for building different settings.

Question arises as to whether Bharata instructs to build up roof over the theatre hall or it is to be made roofless. Some scholars opine that, Bharata must have thought of a roofless theatre hall as he has not mentioned anything in this regard.[24] In our opinion it is not so. Bharata has clearly said that the *nāṭyamaṇḍapa* should be like a cave of a mountain

(*śailaguhākāra*).[25] It suggests that Bharat's intention here is to speak about the theatre hall.[26] It is obvious that a *maṇḍapa* and specially *gṛha* (house) must have roof. Yet, it is true that Bharata has not suggested as to what materials are to be used for the construction of the roof of a hall. Probably his silence in this regard signifies that same materials are to be used in construction of a theatre hall also, which are generally used in construction of roof of any common house.

Some instructions are given by the *Nāṭyaśāstra* regarding acoustics of the theatre hall. It is stated that while constructing the windows it should be kept in mind that strong wind must be prevented from entering into the theatre hall. On the other hand mild breeze is essential in the hall,[27] obviously to prevent suffocation. Again, it is advised not to place any other door or even window in front of a door.[28] It seems that by this way, cross ventilation of strong wind would be barred to enter into the hall.

The use of the term *śailaguhākāra* is important from the viewpoint of acoustic also. Works on modern architecture suggest – "along with the overall shape and size of the autitorium the ceiling and side walls also do play an influential part in acoustical design. The ceilings and sidewalls should provide favorable reflections or reinforce the sound that reaches the rear parts of a large auditorium. To avoid echoes further, a smooth ceiling should not be parallel to the floor. The sidewalls should be curved or splayed such that they held in reinforcing the sound by way of reflection particularly for large halls. Echoes between sidewalls, can be avoided making them divergent splayed, non-parallel or titled walls."[29] In our opinion while stating that the theatre hall should be like a mountain cave, Bharata must have had the idea of a theatre hall in his mind which possesses uneven ceiling and walls. He himself says that by making the theatre hall just like a cave of mountain good sound effect may be acquired.[30]



After speaking about the *vikṛṣṭa* type of theatre hall, Bharata says about the second variety, i.e., the *caturaśra* type. He says that it should be 32 × 32 hands. Most of the features in both the types of halls are same.[31] Yet, there are obviously certain differences, which are pointed out by Bharata.

It is to be noticed that Bharata instructs the use of bricks while constructing the walls and seats for the audience in the *caturaśra* type of *nāṭyamaṇḍapa*.[32] But regarding use of bricks in these constructions of the *vikṛṣṭa* type, he remains silent. There seems to be a scientific reason behind it. The science of sound says that sound waves after being reflected by the hard walls revert back and cause echoes, which become noise and disturb the audience in proper hearing of utterances and music etc. So, to reduce such kind of noise, we find that in modern auditorium on the walls and ceilings special lingings are used. That is why works on architecture say – "by using air filled materials like felts, straw-boards, glass wool quilts, celotex, acoustex, etc., for lining the walls and ceiling, and constructing floating floors, the room can be made sound-proof and the noise or sound can be isolated.[33] But when the autitorium is small in size, the effect of echo is also less and so Bharata is not against use of bricks for construction of the smaller, i.e., medium size auditorium. However, since the effect of echo is more in large auditorium, Bharata has suggested the use of lining (*lepa*) to reduce the noise while constructing the *vikṛṣṭa* type of theatre hall.[34]

One more point to be carefully noticed is that the auditoriums are often constructed in gallary system for the audience. This helps not only to have proper view of the stage for the audience, but also to reduce the effect of noise as the dresses or costumes used by the audience work as wall of lining or sound absorbents. In absence of such gallery system, sound wave will travel over the heads of the audience and hit the rare wall and will cause noise. Because of this Bharata has specially mentioned of gallery system for the medium size auditorium so that in absence of linings etc.

on the walls and ceilings whatever noise is caused is reduced by the audience, with their dresses, sitting in the gallery.

The *Naṭyaśāstra* has taken due care to suggest that in case of the rectangular hall, i.e., the *vikṛṣta* type of hall which is generally bigger than the medium sized *caturaśra* (square) hall, the rare part of the stage where orchestra party or musicians sit, should be elevated.[35] The reason behind is to facilitate proper propagation of musical waves in scientific way.

After stating about the *caturaśra* type of hall, Bharata in three verses only speaks about characteristic features of the third category of theatre hall, which is called *tryśra nāṭyagṛha*. It is to be made triangular. At the centre of the house *raṅgapīṭha* should be made, which is also to be triangular[36] its base being parallel to the base of the theatre hall and the vertex of the stage being towards the vertex of the theatre hall. While the *nepathya*, i.e., the green room will be at the base of the triangular theatre hall, the door for the audience to enter into the hall will be at the vertex of the triangular hall.[37] Other characteristics like construction of walls, erecting the pillars etc. are same with that of the medium size hall.[38] It seems to be a peculiar shaped hall, which probably has certain difficulties, because of which it does not seem to be popular enough and hence not recommended highly by Bharata.

From the above discussion we can come to the conclusion that Bharata, the author of the *Nāṭyaśāstra* was not devoid of scientific and technological knowledge while precribing the construction of the theatre hall.

## REFERENCES


1. Vide, *The Nāṭyaśāstra*, II, 6-25
2. Cf., *'iti bhāratiye nāṭyaśāstre prekṣāgṛhalakṣaṇaṁ nāma dvitīyo'dhyāyaḥ* - at the end of the second chapter of the *Nāṭyaśāstra.*





3. Cf. *'iha prekṣāgṛhaṁ dṛṣṭvā dhimatā viśvakarmaṇā. trividhaḥ sanniveśaśca śāstrataḥ parikalpitaḥ : vikṣṛṭaścaturaśraśca tryasraścaiva tu maṇḍapaḥ. teṣāṁ trīṇi pramāṇāni jyeṣṭhaṁ madhyamaṁ tathā varam : Nāṭyaśāstra,* II. 7-8'
4. Vide, *Nāṭyaśāstra*, vol. I., B. Sukla Sastri, Chaukhamba Sanskrit Sansthan, Varanasi, 1984, p. 459.
5. Vide, *Abhinavabharatī*, on the *Nāṭyaśāstra*, II.7-8
6. Vide, *The Indian Theatre*, Chandra Bhanu Gupta, Motilal Banarasidass, Banaras, 1954, p. 31, and see also *Nāṭyaśāstra*, vol. I., B. Sukla Sastri, p. 36
7. Vide, *Nāṭyaśāstra*, II.14.
8. Ibid., II. 8-9
9. Ibid., II. 16-19
10. Ibid., II-10
11. Ibid., II-20
12. Ibid., II. 20 and II. 91
13. Ibid., II. 21
14. Ibid., II. 12 and II. 24
15. Ibid., II. 27-28
16. Ibid., II. 29
17. Ibid., II. 31-32
18. Ibid., II. 37-38
19. Ibid., II. 48-49
20. Ibid., II. 67-68
21. Vide, *The Indian Theatre*, C.B. Gupta, Motilal Banarasidass, Banaras, p. 48
22. cf., *'utsedhena tayostūlyaṁ kartavyaṁ raṅgapīṭhakam'* – *Nāṭyaśāstra*, II. 69
23. Vide, *The Indian Theatre*, C.B. Gupta, p. 49
24. Vide, *The Indian Theatre*, Adya Rangacharya, National Book Trust, New Delhi, p. 43.
25. Vide, *Nāṭyaśāstra*, II.85
26. Ibid., II. 3 and II. 7
27. Ibid., II. 86
28. Ibid., II. 84-85
29. Vide, *Planning and Designing Buildings*, Yashwant. S. Sane, Allies Bookstall, Poona, 1975, p. 100.
30. Vide, *Nāṭyaśāstra*, II. 83-84
31. Ibid., II. 92-93

32. Vide, *Nāṭyaśāstra*. II.95
33. Vide, *Planning and Designing Buildings*, p. 101
34. Vide, *Nāṭyaśāstra*. II.87
35. Ibid., II. 104.
36. Ibid., II. 106.
37. Ibid., II. 107.
38. Ibid., II. 108.

---

*লেখিকাৰ অনুমতি সাপেক্ষে পুনৰ মুদ্ৰিত।*

ISSN : 2349-8943

# नाट्शास्त्रीय सिद्धान्तों के अनुसार प्रतीक–नाटकों की अभिनेयता : अमृतोदयम् के विशेष संदर्भ में

—डॉ. दिशा दुबे (पूर्व अग्निहोत्री)
124/1 डी–ब्लाक, गोविन्द नगर, कानपुर

प्राचीन भारतीय वाङ्मय में 'नाट्य' सर्वाधिक लोकप्रिय शिल्प रहा है, जो सदियों, पूर्व से प्रवहमान जन–जीवन की सामाजिक एवं सांस्कृतिक चेतना की अभिव्यक्ति का माध्यम रहा है। नाट्य दस प्रकार का होता है।[1] इनके अन्तर्गत अन्य प्रकार से भी उपरूपकों के नाम तथा लक्षण नाट्यशास्त्रीय ग्रन्थों में मिलते हैं। नाट्य के दश–रूपकों में सर्वाधिक महत्त्वपूर्ण, लोकप्रिय, समृद्ध तथा अभिनेय साहित्य का प्रधान अंक 'नाटक' है। नाटकों में भी एक प्रकार 'प्रतीक–नाटकों' का है। 'प्रतीक–नाटकों' से तात्पर्य ऐसे नाटकों से है जिनके पात्र प्रायः अमूर्त होते हैं, तो कहीं–कहीं पर अमूर्त और मूर्त पात्र मिमिश्रत रहते हैं। इनकी विषय–वस्तु शास्त्रीय–दार्शनिक तत्त्वों पर आधारित मिलती है। 'प्रतीक–नाटकों' का उद्देश्य दार्शनिक व शास्त्रीय ज्ञान से सामान्य प्रेक्षकों का परिचय कराना होता है।

As like the gestures of the minor limbs, those of the major limbs, are also analysed by both the authors. These discussions in both the works, have some similarities, while some of those are totally different from each other. So, there is a need to examine them in detail for understanding the influence of the *Nāṭyaśāstra* on the *Abhinayadarpaṇa*. Among all the gestures of major limbs hand gestures, as found in both the works occupy the largest and the most important place. So at first here a comparision is provided on hand gestures, as found in both the works. Then discussion will be on various types of foot works.

**The *Asaṁyutahasta* i.e., Single Hand Gesture:**

There are twenty four numbers of single hand gesture in the *Nāṭyaśāstra*. According to Bharata those are applied in the production of a play. But Nāndikeśvara in the *Abhinayadarpaṇa* analysed twenty eight gestures of this class. Among them twenty names are common in both the works. Following eleven gestures are similarly defined in both the works viz., *patāka, tripatāka, ardhacandra, arāla, muṣṭi, śikhara, sarpaśīrṣa, mṛgaśīrṣa, catura, bhramara* and *mukula*, though only eight of those have substantial agreement regarding their applications. With same names following nine gestures of both the works provide totally different definitions. These are *kartarīmukha, kamakāmukha, kapittha, sūcī, kāṁgula, alapadma, haṁsapakca, sandaṁśa* and *tāmracū*

*a.* The *Nāṭyaśāstra* is peculiar in giving subdivisions of every single hand gesture. This is not seen in the pages of the *Abhinayadarpaṇa*.

***Patāka:*** When the fingers of a hand are extend and thumb is bent to touch the fingers, than that hand is called *patāka* hand as suggested by both the authorities.[3] According to Nāndikeśvara it is applied in the beginning of a *nāmya,* to denote cloud, forest, forbidding things, bosom, a river, reign of gods, horse, cutting wind, lying down, attempting to go, prows, favour, moonlight, strong sunlight, forcefully opening the doors, meaning of seven case endings, wave, entering a street, equality, anointing the body of ones ownself, taking an oath, silence, palmyraleation, the ideal king, shield, touching things, benediction, saying like such and such a place ,the sea, succession of good deeds, addressing a person, going forward, holding a sword, a month, a year, a rainy day, and cleaning with a broom.[4]

*Nāṭyaśāstra* provides various positions of this *patāka* hand. According to different positions it is used to show different things. Such as to show an administration of blows, burning heat, urging attainment of happiness and arrogant reference of one's own self, this *patāka* hand is raised on a level with forehead. Again to represent the glare of heat, torrential rain and shower of flowers, *Nāṭyaśāstra* says to separate and move two *patāka* hands and then join those together. According to Bharata if two *patāka* hands are separated from *svastika* position, then it is used to denote a shallow pool of water, presentation of flowers, grass and any design made on ground. Again if same *patāka* hand with their fingers are pointed downward, it is used to represent anything closed, made open, protected, covered, dense and private (to be concealed). According to Bharata the same hand with the fingers pointing downward, is used in expressing the speedy movement of wind and ocean waves breaking against the shore and an objection. The *recaka* of this hand also is used to represent encourage, many (in number), a great crowd of men, height, beating of drums and flight of birds up-wards. Again the palms of two such hands rubbing each other indicates anything washed, pressed, cleansed, pounded or holding up a hill or uprooting it. In the *Nāṭyaśāstra, patāka* hand is again said to be use to denote man and women.[5] Thus it is found that though both the works have some sort of similarities regarding their application, the analysis of the *Nāṭyaśāstra* is more elaborate than that of the *Abhinayadarpaṇa.*



***Tripatāka:*** According to both the authors Bharata and Nāndikeśvara, this hand is formed when the ring finger of the *patāka* hand is bent.[1] According to Nāndikeśvara it is used to indicate a crown, a tree, the *vajra* as well as the bearer of *vajra* (i.e., Indra), *ketakī* flower, a lamp, raising flames, a pigeon, patterns drawn on the face or breast (*patralekhā*), an arrow, and turning round.[2] In the *Nāṭyaśāstra* it is said to be used in invocation, descent, bidding good bye, prohibition, entrance, raising up (of anything), bowing (in salutation), comparing, suggesting, alternatives, touching the head with auspicious object or putting them on the head, putting turban or a crown and covering the mouth or the ears. This very hand with its fingers putting downward and moving up and down is said to be used in representing flight of small birds, streem, snake, bees, and the like. With the third finger of this hand following things are shown as wiping of tears, drawing a *tilaka* or *patralekhā* and touching of hairs. The *Nāṭyaśāstra* gives some other positions also.[3]

***Ardhacandra hasta:*** Both the authors opine that this type of hand is formed when the fingers and the thumb are so bent that it makes a curve like a bow.[9] Both Bharata and Nāndikeśvara provide dissimilar applications of this hand. Nāndikeśvara suggests to apply this hand to denote the moon on the eight day of the dark phase, the hand which seizes the throat, spear, the oblation ceremony to gods, the dining plate,

origin, the waist, contemplation, speaking about oneself, meditation, touching the limbs, and greeting by common people.[10] Whereas Bharata suggests that it should represent young trees, crescent moon, conch shell, jar, bracelet, forcible opening, exertion, thinness and drinking. Along with these he suggests use of this hand, especially by woman, to indicate girdle, hip, face, *tālapatra* and earrings.[11] Here only one application indicating the moon has some sort of similarity in both the works. Nāndikeśvara suggests use of this hand for indicating the moon on the eight day of the dark phase, and Bharata suggests of use this hand to show crescent moon.

***Arāla:*** As found in both the works, when the fourfinger and the thumb of a *patāka* hand are curved, the *arāla* hand is formed.[1] The *Abhinayadarpaṇa* provides following three applications of this hand like, drinking poison, nectar and violent wind. The applications as given by Nāndikeśvara are totally different from the *Nāṭyaśāstra*. Bharata provides lots of uses of this hand, which are named in as many as six verses.[2]

***Śukatuṇḍa:*** Both Bharata and Nāndikeśvara defines *śukatuṇḍa* in the same manner.[3] It is formed when the ring finger of the *arāla* hand is bent. According to *Abhinayadarpaṇa* this hand is used to represent shooting of an arrow, a spear, remembering ones abode, saying of mystic things and violent mood.[4] These are also not similar with the applications as provided by Bharata. According to Bharata *śukatuṇḍa* is used to represent the expressions: "(it is) not I, (it is) not you, and it is not to be done" or to express invocation, farewell and saying words in hatred. The applications *marmokti* (violent mood) of the *Abhinayadarpaṇa* and *dhig vacana* (saying words in hatred) of the *Nāṭyaśāstra* is almost same.

***Muṣṭi:*** According to the both, if four fingers are bent into the palm and thumb is set on them, then it is called *muṣṭi* hand.[16] Most of the applications are common in both the works.



Only a few are different. The common gestures are beating exercise, exit, pressing, shampooing, and grasping showered and holding spears and clubs.

***Śikhara:*** Both Bharata and Nāndikeśvara say that when the thumb of the *muṣṭi* hand is raised, then *śikhara* hand is formed. According to the *Abhinayadarpaṇa* it is used to denote amour, a bow, pillar, certainty, making offering to manes, the upper lip, something entered, a tooth, questioning, phallic symbol, saying no, recollection, near, about *abhinaya*, pulling at the gridle, the act of embrace, sounding a bell.[17] These uses are provided by Nāndikeśvara without any influence of Bharata. According to Bharata it is used to represent reins, whip, goad, bow, throwing a javelin (*tomāra*) or a spike, painting two lips and feet and raising up hairs. Thus only one suggested application refering to lip has some sort of similarities.

***Sarpaśīrṣa:*** Nāndikeśvara defines that when the fingers including the thumb of the *patāka* hand is bent down, the *sarpaśirṣa* hand is formed.[18] Though Bharata has the same analysis he does not refer to *patāka* hand here and he smply names it as *sarpaśīrṣa*. He suggests that when the fingers are kept closed to one another and palm is hollowed then it is called *sarpaśirṣa.*[19] It is said to be employed by both to show offering of water. Nāndikeśvara suggests to apply this offering in respect of gods. Bharata suggests use of this hand for presenting movements of the serpents. Again Nāndikeśvara presents some other uses of this hand which are different from those of the *Nāṭyaśāstra*, like the movements of the elephant's forehead, sandal, lower octave (*mandra*), nourishing and arms of wrestlers. Along with the uses as mentioned above Bharata presents two other uses of *Sarpaśīrṣa*. Those are pouring water and challenging for a dual.[20]

***Mṛgaśīrṣa:*** Except the thumb and the little finger of

*sarpaśīrṣa* if other fingers are pointed downwards, *mṛgaśīrṣa* hand is formed.[21] Definition is common in both the works, but Nāndikeśvara provides totally different applications in case of this hand too. So, according to Nāndikeśvara it is used to denote women, cheek, a wheel, limit, fear, quarrel, costume or dress, calling and *tripuṇḍaka* mark on the forehead, a dress head, a lute, massage of the feet, gating of one's all, the female organ, holding on umbrella, stepping and calling the beloved.[22]

***Catura:*** According to Bharata when the three fingers are stretched and the thumb is placed near those, and the little finger is stayed strait up-ward then *catura* hand is formed.[23] Nāndikeśvara suggests to bent the thumb at the foot of the fore finger to formed the *catura* hand. Thus there is a little difference occurred between these two definitions. And again in respect of *catura* hand also Nāndikeśvara provides some uses without any influence of Bharata. These are, to denote a little, gold, copper iron, wet, sorrow, aesthetic pleasure, an eye, difference of castes, proof, sweetness, slow gait, breaking into pieces, face, oil and ghee etc. The applications as suggested by Bharata are policy, discipline, penance, cleverness, a young girl; a sick person, perfidy, gambling, proper word, salutary truth, and tranquility.

***Bhramara*:** According to both the works this hand is formed when the middle finger and the thumb cross each other and four finger is curved and remaining two fingers are separated and raised.[1] As like the above mentioned hands this hand also has no similarity regarding its application between these two works. Nāndikeśvara suggests applying it to denote a bee, a parrot, a wind, a crane, a cuckoo and similar birds.

***Mukula* (blossom):** Bharata defines *mukula* as, when the five fingers of a hand meet together with their tips as like *haṁsamukha*, the *mukula* hand is formed.[25] Nāndikeśvara defines in the same manner as like Bharat. Only the reference of *haṁsamukha* is not given here. It has some sort of similarity regarding its application in these two books. Those common applications are, the god of love (with his five arrows), holding of a signet or a seal, the navel and a plantain flower. Nāndikeśvara adds two new with those of Bharata. These are water lily and taking meals.



**The *Saṁyutahasta* i.e., Combined Hand Gesture:**

The *Nāṭyaśāstra* considers thirteen numbers of combined hand gestures while the *Abhinayadarpaṇa* accepts twenty three. Thirteen names of these gestures are common in both. But except the four gestures, viz., *añjali, kapota, karkaṭa* and *puṣpapuṭa* others are not defined in the same manner in the *Abhinayadarpaṇa* as done in the *Nāṭyaśāstra*. Those four gestures have similarities regarding their applications also in both the works. Even their applications are also almost same in both the works viz., *añjali, kapota, karkaṭa,* and *puṣpapuṭa.*

***Añjali* :** According to both the authors, after joining two patāka hands añjali hand is formed by joining two patāka hands.[26] Both of the authors opine that this hand is used for salutation of deity, keeping it on the head. In respect of preceptor it should be kept near the face.[27] The *Nāṭyaśāstra* has a difference in this regard, as Bharata suggests use of this hand for greeting friends, keeping it on the chest. But Nāndikeśvara has never mentioned about greeting friends. Rather the *Abhinayadarpaṇa* suggests placing of this hand on the bosom for saluting a *vipra.*

***Kapota* (pigeon):** According to Bharata when both the hands of the gesture *añjali* are kept combined by their sides, then the *Kapota* hand is is formed.[28] And Nāndikeśvara defines that when the hands meet at their base and end and also along with the sides then *kapota* hand is formed.[29] Both of the authors opine that this hand should be used to indicate an approach with inimical intention, bowing and talking to a venerable

person. The *Nāṭyaśāstra* also suggests use of this hand to show cold and fear by women holding their hands on their breast.

***Karkaṭa:*** Accoring to both the authors, the *karkaṭa* hand is formed if the fingers of the hands are interlocked.[30] In case of its application both the books have some similarities. Those are, coming of a group of people, showing the belly, blowing of the conch-shell, twisting or stretching of limbs, and pulling a branch down. The belly is replaced by Nāndikeśvara in the place of big body as stated by Bharata, as well as, blowing the conch shell is stated by in place of holding the conch shell of Bharata.

***Puṣpapuṭa:*** As defined by Bhrata, when both the hands in *sarpaśīrṣa* are kept jointly, then *puṣpapuṭa* hand is formed.[31]

Nāndikeśvara also agrees with that.[32] Only two applications, viz., carrying of water and fruits are common in both. Others are different. The other uses as suggested by Nāndikeśvara are waving lights before an image of god as an act of adoration, and offering to gods.

***Nṛttahastas:***

Bharata defines twenty seven numbers of *nṛttahastas* which are different from the single and combined hand gestures. Whereas the *Abhinayadarpaṇa* mentions thirteen *nṛttahastas*, only which are exactly same in names with single and combined hand gestures and the author has never provided any different definition of those as *nṛttahastas* as done by Bharata. Nāndikeśvara after mentioning their names views that these are useful for *nṛtta* also.[33] That means those gestures used in *nṛtya* and *nāmya* are useful for *nṛtta* too. The *nṛtta hastas* viz., *patāka, tripatāka, śikhara, kapittha, alapadma* and *haṁsāsya* are common with his single hand gestures and *nṛtta hastas* viz., *añjali, svastika, dolā, kaṭakāvardhana, śakaṭa, pāśa* and *kilaka* are as like his combined hand gestures with the same name. Nāndikeśvara provides their five gaits on the earth (*bhūvi*). Those are *ūrdhva, adha, uttarā, prācī* and *dakṣiṇā*. Then he has mentioned the fixed rule to perform *nṛtta*. According to *nṛttasiddhānta* where the legs go, the hands follow. When the *pada*s or legs go to the left the hands also go to the left and when they go to the right, the hands do the same.[34]

Thus, whatever might be the number of gestures in each groups, the total number of hand gestures as found in the *Nāṭyaśāstra* is more than the *Abhinayadarpaṇa*. The *Nāṭyaśāstra* provides sixty four number of hand gestures in total where as in the *Abhinayadarpaṇa* it is fifty one.



**Reference :**

1 *Nāṭyaśāstra*, VIII.9

2 tatra tvabhinayasyaiva prādhānyamīti kathyate/ *Abhinayadarpaṇa*, v.38

3 kuñcitaśca tathāṁguṣṭhaḥ sa patāka iti smṛtaḥ// *Nāṭyaśāstra*, IX.98 aṁgulyaḥ kuñcitāṁguṣmhaḥ saṁśliṣmāḥ prasṛitā yadi/ sa patākakaraḥ prokto nṛtyakarmaviśāradaiḥ// *Abhinayadarpaṇa*, v.93 prasāritāḥ sarvāḥ yasyāṁgulyo bhavanti hi/

4 *Abhinayadarpaṇa*, vv.94- 99

5 *Nāṭyaśāstra*, IX.20-27

6 sa eva tripatākaḥ syād vakritānāmikāṁguliḥ......./ *Abhinayadarpaṇa*, v.101 patāke tu yadā vakrā'nāmikā tvaṁgulirbhavet /*Nāṭyaśāstra*, IX.28.

7. ... mukuṭe vṛkṣabhāveṣu vajre taddharavāsave/ ketakīkusume dīpe vahnijvālāvijṛmbhaṇe//*Abhinayadarpaṇa*, v.101

8 *Nāṭyaśāstra*, IX.29-38

9 ardhacandrakaraḥ so'yaṁ patāke'ṁguṣṭhasāraṇāt....../ *Abhinayadarpaṇa*, v.111 yasyāṁgulyastu vinatāḥ

sahāṁguṣṭhena cāpavat/ so'rdhacandra iti khyātaḥ karaḥ karmāsya vakṣyate// *Nāṭyaśāstra,* IX.43

10 candre kṛṣṇaṣṭamībhāji galahastārthake'pi ca// bhallāyudhe devatānāmabhiṣecanakarmaṇi/ bhukpātre codbhave kaṭyāṃ cintāyāmātmavācake//dhyāne ca prārthane cā'pi aṃgānāṁ sparśane tathā/ prākṛtānāṁ namaskāre ardhacandro niyujyate// *Abhinayadarpaṇa,* vv.111-113

11 *Nāṭyaśāstra,* IX.44-45

12 *Abhinayadarpaṇa,* 114 and *Nāṭyaśāstra,* IX.46

13 *Nāṭyaśāstra* IX.46-51

14 *Nāṭyaśāstra* IX.54

15 asminnanāmikā vakrā śukatuṇḍakaro bhavet/ bāṇaprayoge kuntārthe vā'layasya smṛtikrame//marmoktyāmugrabhāveṣu śukatuṇḍo niyujyate...... / *Abhinayadarpaṇa,* vv.114-115

16 melanādaṁgulīnāñca kuñcitānāṁ talāntare// aṁguṣṭhaścopariyuto muṣṭihastoa'yamīryate...../ *Abhinayadarpaṇa,* vv.116-117 *Nāṭyaśāstra,* IX. 56

17 cenmuṣṭirunnatāṁgucthaḥ sa eva śikharaḥ karaḥ/ *Abhinayadarpaṇa,* v.118, *Nāṭyaśāstra,* IX.58 madane kārmuke stambhe niścaye pitṛkarmaṇi...*Abhinayadarpaṇa,* v.119

18 patākā namitāgrā cet sarpaśīrṣakaro bhavet// *Abhinayadarpaṇa,* v.137

aṁgulyaḥ saṁhatāssarvā sahāṁguṣṭhena yasya ca/tathā nimnatalaścaiva sa tu sarpaśīrāḥ karaḥ// *Nāṭyaśāstra,* IX. 84

19 *Ibid,* IX.82

20 *Nāṭyaśāstra,* v.85 and *Abhinayadarpaṇa,* vv.138-139

21 asmin kaniṣṭhikāṁguṣṭhe prasṛte mṛgaśīrṣakaḥ/ *Abhinayadarpaṇa,* v.139

adhomukhināṁ sarvāsāmaṁgulināṁ samāgamaḥ/ kaniṣṭhāṁguṣṭhakāvūdhvau sa bhavenmṛgaśīrcakah// *Nāṭyaśāstra,* v.86

22 *Abhinayadarpaṇa,* vv.139-142

23 tarjanyādyāstatra śliṣṭāḥ kaniṣṭhā prasṛtā yadi //



aṁguṣṭhoa'nāmikāmūle tiryak cet caturaḥ karaḥ.../ *Abhinayadarpaṇa,* vv.149-150

tisraḥ prasāritā yatra tathā cordvā kanīyasī/ tāsāṁ madhye shitoa'ṁguṣṭhaḥ sa karaścaturaḥ smṛtaḥ// *Nāṭyaśāstra,* IX.93

24 madhyamāṁguṣṭhasaṁyoge tarjanī vakritākṛtiḥ// śeṣāḥ prasāritāścāsau bhramarābhidhāstakaḥ/ *Abhinayadarpaṇa,* vv. 152,153

madhyamāṁguṣṭhasandaṁśo vakrā caiva pradeśinī / ūrdhvamanye prakīrṇe ca dvayaṁgulyau bhramare kare// *Nāṭyaśāstra,* IX.101

25 aṁgulipañcakaṁ caivaṁ melayitvā pradarśane// mukulābhidhāhastoa'yaṁ kīrtyate bharatāgame/ *Abhinayadarpaṇa,* vv.161,162

samāgatāgrāssahitā yasyāṃgulyo bhavanti hi/ūrdhvā haṁsamukhasyaiva sa bhavenmukulaḥ karaḥ// *Nāṭyaśāstra,* IX.117

26 patākatalayoryogādañjaliḥ kara īritaḥ/ *Abhinayadarpaṇa,* v.176

patākābhyām tu hastābhyām samśleṣādañjaliḥ smṛtaḥ/ *Nāṭyaśāstra,* IX.128

27 *Abhinayadarpaṇa,* vv.176-177, *Nāṭyaśāstra,* 128-129-130

28 *Nāṭyaśāstra,* IX. 129

29 kapoto'sau karo yatra śliṣṭā'a'mūlāgrapārśvakaḥ// *Abhinayadarpaṇa,* v.177

30 anyo'nyasyāntare yatrāṁgulyo niḥsṛtya hastayoḥ//antarbahirvā vartante karkaṭaḥ so'bhidhīyate/*Abhinayadarpaṇa,*vv.178-179

aṁgulyo yasya hastasya syānyonyāntaranisṛtāḥ// sa karkaṭa iti karaḥ karma ca vakṣyate/*Nāṭyaśāstra,*IX.133-134

31 yastu sarpaśiraḥ proktastasyāṁgulinirantaraḥ/dvītiyaḥ pārśvasaṁśliṣṭaḥ sa tu puṣpapuṭaḥ karaḥ//*Nāṭyaśāstra,* IX.150

32 saṁśliṣṭakarayoḥ sarpaśīrṣaḥ puṣpapuṭaḥ karaḥ// *Abhinayadarpaṇa,* v.182

33 .......trayodaśaite hastāḥ syurnṛttasyāpyupayoginaḥ/ *Ibid,* v.249

34 vāmāṁgabhāge vāmasya dakṣiṇe dakṣiṇasya ca/kuryāt pracalanaṁ hyetannṛttasiddhānta lakṣaṇam// *Ibid,* v.246

ISSN : 2349-8943

# নাট্যশাস্ত্র আৰু সাহিত্য-দৰ্পণত অলঙ্কাৰ

ড° অদিতি বৰুৱা
সহযোগী অধ্যাপক
সংস্কৃত বিভাগ, ডিব্ৰু মহাবিদ্যালয়

সংস্কৃত অলঙ্কাৰ শাস্ত্ৰসমূহৰ ভিতৰত ভৰতমুনি বিৰচিত *নাট্যশাস্ত্ৰই* প্ৰাচীনতম। গ্ৰন্থখনৰ আন এটা নাম হৈছে নাট্যবেদ আৰু ইয়াক উপবেদৰ অন্তৰ্ভুক্ত কৰা হৈছে। *সংগীত ৰত্নাকৰৰ* টীকাত কল্লিনাথে গীতৰ প্ৰাধান্য হেতু এই গ্ৰন্থক গান্ধৰ্ববেদ আৰু অভিনয়ৰ প্ৰাধান্যলৈ লক্ষ্য কৰি নাট্যবেদ বুলি অভিহিত কৰিছে। অৱশ্যে কাৰিকাৰ উপৰি গদ্যৰীতিও এই গ্ৰন্থখনত উপলব্ধ হোৱা বাবে অনেকে ইয়াক নাট্যসূত্ৰ বুলিও অভিহিত কৰে। আনহতে ভৰত মুনিৰ নিজৰ ভাষাত এইখন নাট্য নামৰ পঞ্চমবেদ ।[১] সাহিত্য, সংগীত আৰু কলাৰ এনে কোনো দিশ নাই যি *নাট্যশাস্ত্ৰত* নাই। *নাট্যশাস্ত্ৰৰ* ভাষাতেই 'ন তজ্ জ্ঞানং ন তজ্ শিল্পং ন সা বিদ্যা ন সা কলা। ন স য়োগো ন তৎ কৰ্ম নাট্যেऽস্মিন্ য়ন্ন দৃশ্যতে।।'[২]

আনহাতে সংস্কৃত অলঙ্কাৰ শাস্ত্ৰসমূহৰ ভিতৰত কিছু পৰিমাণে অৰ্বাচীন গ্ৰন্থ হ'ল বিশ্বনাথ কবিৰাজ বিৰচিত *সাহিত্য-দৰ্পণ*। উল্লেখযোগ্য যে *নাট্যশাস্ত্ৰ* প্ৰাচীনতম অলঙ্কাৰ গ্ৰন্থ হোৱা বাবে পৰবৰ্তীকালৰ অলঙ্কাৰ শাস্ত্ৰসমূহত এই গ্ৰন্থৰ প্ৰভাৱ পৰাটো স্বাভাৱিক। তৎস্বত্বেও সেই গ্ৰন্থসমূহত প্ৰকাশ শৈলীৰ প্ৰভেদ পৰিলক্ষিত হোৱাটো মন কৰিবলগীয়া।

এই আলোচনাত ভৰত মুনিৰ *নাট্যশাস্ত্ৰত* লাভ কৰা অলঙ্কাৰ সমূহ বিশ্বনাথ কবিৰাজৰ *সাহিত্য-দৰ্পণ* গ্ৰন্থত কেনেদৰে উপস্থাপিত হৈছে সেই সম্পৰ্কীয় দিশসমূহহে কেৱল আলোচনা কৰিবলৈ বিচৰা হৈছে।

আভিধানিক দিশৰ পৰা অলঙ্কাৰ শব্দৰ অৰ্থ হৈছে আভৰণ।



'অলঙ্কৃয়তেऽনেনেত্যলঙ্কাৰঃ' - অৰ্থাৎ যি অলঙ্কৃত কৰে বা শোভাবৰ্দ্ধন কৰে সিয়েই অলঙ্কাৰ। এই দিশৰ পৰা কাব্যত যিবোৰ উপাদানে শোভাবৰ্দ্ধন কৰে তাকেই অলঙ্কাৰ বুলি কোৱা হয়।

কাব্য দুই প্ৰকাৰৰ — দৃশ্য কাব্য আৰু শ্ৰব্য কাব্য। নাটক আদিক দৃশ্য কাব্য বুলি কোৱা হয় আৰু ভৰত মুনিয়ে অলঙ্কাৰৰ প্ৰত্যক্ষ সংজ্ঞা নিদি তাক নাটকাশ্ৰিত বুলি আখ্যা দিছে। অলঙ্কাৰে যে কাব্যৰ শব্দ আৰু অৰ্থক উভয়কে অলঙ্কৃত কৰে সেই কথা *নাট্যশাস্ত্ৰত* বিভিন্ন অলঙ্কাৰৰ সংজ্ঞা দিবলৈ যাওঁতে পিছে সুন্দৰকৈ প্ৰকাশ পাইছে।

বিশ্বনাথ কবিৰাজৰ *সাহিত্য-দৰ্পণৰ* ভাষাত শোভা বৃদ্ধিকাৰক, ৰস-ভাৱ আদিৰ সৃষ্টিকাৰক আৰু শব্দাৰ্থৰ অস্থিৰ ধৰ্মকে 'অঙ্গদ' আদিৰ দৰে অলঙ্কাৰ বুলি কোৱা হয়।[৩] 'অলঙ্কাৰাঃ কটককুণ্ডলাদিৱৎ' অৰ্থাৎ কটক, কুণ্ডল আদিয়ে শৰীৰৰ শোভাবৰ্দ্ধন কৰাৰ দৰে সাহিত্যৰ যি শোভা বৃদ্ধি কৰে সেয়াই অলঙ্কাৰ। কবিয়ে স্বাভাৱিক ভাৱে মনৰ ভাৱ প্ৰকাশ কৰিবলৈ এই অলঙ্কাৰৰ সহায় লয়।

*নাট্যশাস্ত্ৰৰ* মতে অলঙ্কাৰ চাৰিবিধ। সেয়া হৈছে — উপমা, ৰূপক, দীপক আৰু যমক।[৪] পাঠান্তৰত অৱশ্যে এই চাৰিওবিধ অলঙ্কাৰ কাব্যাশ্ৰিত বুলিহে পোৱা যায়।[৫] মন কৰিবলগীয়া যে, দৃশ্য আৰু শ্ৰব্য এই উভয়বিধ কাব্যতে এই চাৰিওবিধ অলঙ্কাৰ পোৱা যায়। কিন্তু *নাট্যশাস্ত্ৰ* ঘাইকৈ নাট্যবিষয়ক হোৱা বাবেই ভৰত মুনিয়ে অলঙ্কাৰক নাটকাশ্ৰিত বুলি উল্লেখ কৰাৰ থল আছে। এই অলঙ্কাৰ সমূহৰ ভিতৰত উপমা, ৰূপক আৰু দীপক অলঙ্কাৰে অৰ্থক আৰু যমক অলঙ্কাৰে শব্দক অলঙ্কৃত কৰে। সেইবাবে উপমা, ৰূপক আৰু দীপক অলঙ্কাৰক অৰ্থালঙ্কাৰ আৰু যমক অলঙ্কাৰক শব্দালঙ্কাৰৰ শ্ৰেণীভুক্ত কৰা হৈছে।

আনহাতে *সাহিত্য-দৰ্পণে* ঘাইকৈ শব্দালঙ্কাৰ আৰু অৰ্থালঙ্কাৰ ভেদে দুই প্ৰকাৰত অলঙ্কাৰসমূহক বিভাজন কৰিছে। ইয়াৰে শব্দালঙ্কাৰত যমকৰ উপৰিও পুনৰুক্তাৱদাভাস, অনুপ্ৰাস, আৰু শ্লেষ — এই তিনিটা অন্তৰ্ভুক্ত কৰিছে। আপাততঃ অৰ্থৰ পুনৰুক্তি দেখা পালে ভিন্ন স্বৰূপযুক্ত সমানাৰ্থক শব্দক পুনৰুক্তাৱদাভাস অলঙ্কাৰ, স্বৰৰ বিষমতা থাকিলেও শব্দৰ সাদৃশ্য থাকিলে তাক অনুপ্ৰাস অলঙ্কাৰ আৰু শ্লিষ্ট পদৰ সৈতে অনেক অৰ্থ উল্লিখিত

হ'লে শ্লেষ বুলি এই গ্ৰন্থই উল্লেখ কৰিছে। যমক অলঙ্কাৰৰ বিষয়ে পাছলৈ তুলনামূলক আলোচনাৰ সুবিধাৰ্থে এই অংশত উল্লেখ কৰা হোৱা নাই।

*সাহিত্য-দৰ্পণ* গ্ৰন্থত উল্লিখিত অৰ্থালঙ্কাৰৰ সংখ্যা ষষ্ঠদশাধিক। তদুপৰি কিছুমান অলঙ্কাৰৰ উপবিভাগ সমূহক লৈ এই সংখ্যা আৰু বৃদ্ধি পাব। থোৰতে এই গ্ৰন্থত উপলব্ধ অৰ্থালঙ্কাৰৰ নামসমূহ হ'ল — উপমা, অনন্বয়, স্মৰণ, ৰূপক, পৰিণাম, সন্দেহ, ভ্ৰান্তিমান, উল্লেখ, অপহ্নুতি, নিশ্চয়, উৎপ্ৰেক্ষা, অতিশয়োক্তি, তুল্যযোগিতা, দীপক, প্ৰতিবস্তূপমা, দৃষ্টান্ত, নিদৰ্শনা, ব্যতিৰেক, সহোক্তি, বিনোক্তি, সমাসোক্তি, পৰিকৰ, অপ্ৰস্তুতপ্ৰশংসা, ব্যাজস্তুতি, পৰ্যায়োক্তম্, অৰ্থান্তৰন্যাস, কাব্যলিঙ্গম্, অনুমান, হেতু, অনুকূল, আক্ষেপঃ, বিভাৱনা, বিশেষোক্তিঃ, বিৰোধঃ, অসঙ্গতিঃ, বিষমম্, সমম্, বিচিত্ৰম্, অধিকম্, অন্যোন্যম্, বিশেষঃ, ব্যাঘাতঃ, কাৰণমালা, মালাদীপকম্, একাৱলী, সাৰঃ, য়থাসংখ্যম্, পৰ্যায়ঃ, পৰিবৃত্তিঃ, পৰিসংখ্যা, উত্তৰম্, অৰ্থাপত্তিঃ, বিকল্পঃ, সমুচ্চয়ঃ, সমাধিঃ, প্ৰত্যনীকম্, প্ৰতীপম্, মীলিতম্, সামান্যম্, তদ্‌গুণঃ, অতদ্‌গুণঃ, সুক্ষ্মম্, ব্যাজোক্তিঃ, স্বভাৱোক্তিঃ, ভাৱিকম্, উদাত্তম্ ইত্যাদি।

যেতিয়া কাব্যত কোনো বস্তুৰ গুণ অথবা আকৃতিৰ ওপৰত আশ্ৰিত সাদৃশ্যৰ দ্বাৰা উপমা দিয়া হয় তেতিয়া তাকেই *নাট্যশাস্ত্ৰৰ* ভাষাত উপমা অলঙ্কাৰ বুলি কোৱা হয়।[৬] উপমা প্ৰয়োগৰ ক্ষেত্ৰত এটা পদাৰ্থক আন এটা পদাৰ্থৰ বা বহুতো পদাৰ্থৰ সৈতে অথবা বহুতো পদাৰ্থক এটা পদাৰ্থৰ সৈতে তুলনা কৰা হয়। *নাট্যশাস্ত্ৰৰ* মতে এই উপমা অলঙ্কাৰ পাঁচপ্ৰকাৰৰ। সেয়া হৈছে— প্ৰশংসোপমা, নিন্দোপমা, কল্পিতোপমা, সদৃশোপমা আৰু কিঞ্চিৎসদৃশী। মন কৰিবলগীয়া যে *নাট্যশাস্ত্ৰই* এই পাঁচ প্ৰকাৰ উপমাৰ কোনো ধৰণৰ সংজ্ঞা প্ৰদান কৰা নাই। তাৰ পৰিবৰ্তে উদাহৰণৰ দ্বাৰাই *নাট্যশাস্ত্ৰই* এই পাঁচোটা প্ৰকাৰ বুজাবলৈ চেষ্টা কৰিছে। এইখিনিতে কল্পিতোপমাৰ উদাহৰণটি তুলি ধৰা হ'ল।

'ক্ষৰন্তো দানসলিলং লীলামন্থৰগামিনঃ।
মত্তঙ্গজা বিৰাজন্তে জঙ্গমা ইৱ পৰ্বতাঃ।।'[৭]

অৰ্থাৎ গণ্ডস্থলৰ পৰা মদজল বৈ থকা আৰু সুন্দৰকৈ ধীৰ গতিৰে গমন কৰা গজৰাজ জঙ্গম পৰ্বতৰ দৰে বিৰাজিত হৈছে। এই উদাহৰণত গজৰাজৰ সৈতে জঙ্গম পৰ্বতৰ সাদৃশ্য কল্পনা কৰা বাবেই ই কল্পিতোপমা।



অৱশ্যে অভিনৱগুপ্তাচাৰ্যই *অভিনৱভাৰতীৰ* জৰিয়তে এই অভাৱ দুৰ কৰিছে। উদাহৰণ স্বৰূপে 'উপমানস্য প্ৰাশস্ত্যাৎপ্ৰশংসোপমা এৱ সৰ্বত্ৰ' অৰ্থাৎ উপমানৰ প্ৰশস্তিৰ দ্বাৰা প্ৰশংসোপমা অলঙ্কাৰ হয়। একেদৰে উপমানৰ নিন্দাৰ দ্বাৰা নিন্দোপমা, সাদৃশ্যৰ সৈতে সাদৃশ্যৰ কল্পনা কৰিলে সদৃশোপমা আৰু য'ত উপমেয়কে উপমান বুলি গ্ৰহণ কৰা হয় তাক কিঞ্চিৎসদৃশী উপমা বুলি অভিনৱগুপ্তই বৰ্ণনা কৰিছে। উল্লেখযোগ্য যে যি সমুহ অলঙ্কাৰৰ বিষয়ে উল্লেখ কৰা হোৱা নাই সেই সমূহক লৌকিক কাব্যৰ দ্বাৰা বুজিবলৈহে *নাট্যশাস্ত্ৰই* নিৰ্দেশনা প্ৰদান কৰি গৈছে।[৮]

*সাহিত্য-দৰ্পণে* এটা বাক্যত দুটা পদাৰ্থৰ বৈধৰ্ম্য ৰহিত বাচ্য সাদৃশ্যক উপমা অলঙ্কাৰ বুলি অভিহিত কৰিছে।[৯] এই গ্ৰন্থই উপমা অলঙ্কাৰৰ প্ৰথমে পূৰ্ণোপমা আৰু লুপ্তোপমা নামে দুটা ভাগত ভাগ কৰিছে। যি উপমা অলঙ্কাৰত সামান্যধৰ্ম, উপমাবাচক শব্দ, উপমেয় আৰু উপমান এই চাৰিওটা উপকৰণ থাকে তাক পূৰ্ণোপমা আৰু এই উপকৰণ সমূহৰ এক বা একাধিক অনুপস্থিত হ'লে তাক লুপ্তোপমা বুলি কোৱা হয়। 'চন্দ্ৰবন্মুখং মনোজ্ঞমেতৎ' এই উদাহৰণত উপমান 'চন্দ্ৰ', উপমাবাচক ' ৱৎ ', উপমেয় 'মুখ' আৰু সাধাৰণ ধৰ্ম 'মনোজ্ঞত্ব'ৰ উপস্থিতিৰে পূৰ্ণোপমাৰ লক্ষণ সুন্দৰকৈ পৰিস্ফুট হৈছে। আনহাতে 'মুখমিন্দুৰ্যথা' এই উদাহৰণত উপমেয় 'মুখ', 'ইন্দু' উপমান আৰু 'য়থা' উপমাবাচক শব্দ। কিন্তু সামান্য ধৰ্মৰ অনুপস্থিতিৰ বাবে ই লুপ্তোপমাৰ উদাহৰণ হৈ পৰিছে।পুনৰ এই পূৰ্ণোপমাক দৰ্পণকাৰে শ্ৰৌতী আৰু আৰ্থী ভেদে দুই প্ৰকাৰত ভাগ কৰিছে। যি পূৰ্ণোপমা শব্দৰ দ্বাৰা বা শুনাৰ দ্বাৰা উপলব্ধ হয় সেয়াই শ্ৰৌতী পূৰ্ণোপমা। আনহাতে অৰ্থৰ সহায়ত উপলব্ধ উপমা হৈছে আৰ্থী পূৰ্ণোপমা। এই দুয়ো প্ৰকাৰৰ উপমাক তদ্ধিতগত, সমাসগত আৰু বাক্যগত ভেদে দৰ্পণকাৰে পুনৰ বিভাজন কৰাত পূৰ্ণোপমা ছয় প্ৰকাৰ হয়গৈ। লুপ্তোপমাও প্ৰথমে শ্ৰৌতী আৰু আৰ্থী ভেদে দুই প্ৰকাৰৰ আৰু পূৰ্ণোপমাৰ দৰে বাক্যগত, সমাসগত আৰু তদ্ধিতগত ভাৱে তিনি প্ৰকাৰৰ। পাছলৈ সাধাৰণ ধৰ্ম লোপ হোৱাৰ ফলত দহ প্ৰকাৰৰ ধৰ্মলুপ্তা, উপমান লোপ হোৱাৰ ফলত দুই প্ৰকাৰৰ উপমানলুপ্তা[১০], ঔপম্য বাচক পদৰ অভাৱ হোৱা বাবে দুই প্ৰকাৰৰ বাচকলুপ্তা[১১], ধৰ্ম আৰু উপমান উভয় লোপ হোৱাৰ ফলত দুই প্ৰকাৰৰ ধৰ্মোপমানলুপ্তা[১২], সাধাৰণ ধৰ্ম আৰু উপমাবাচক 'ইৱ' আদিৰ

লোপ হোৱাৰ ফলত দুই প্ৰকাৰৰ ধৰ্মবাচকলুপ্তা[13] , উপমেয় লোপ হোৱাৰ ফলত এক প্ৰকাৰৰ উপমেয়লুপ্তা[14] , সাধাৰণ ধৰ্ম আৰু উপমেয় উভয় লোপ হোৱাৰ ফলত এক প্ৰকাৰৰ ধৰ্মোপমেয়লুপ্তা[15] আৰু তিনিওটা লোপ হোৱাৰ ফলত হোৱা ত্ৰিলুপ্তা[16] । এনেদৰে লুপ্তোপমা একৈশ প্ৰকাৰৰ হয়গৈ। সেইবাবে *সাহিত্য-দৰ্পণে* উপমা অলঙ্কাৰৰ সংখ্যা মুঠতে সাতাইশ প্ৰকাৰ বুলি মত প্ৰকাশ কৰিছে।

ওপৰৰ আলোচনাৰ পৰা দেখা যায় যে বিশ্বনাথ কবিৰাজে *সাহিত্য-দৰ্পণ* গ্ৰন্থত ভৰতৰ *নাট্যশাস্ত্ৰৰ* তুলনাত বিস্তৃত ভাৱে উপমা অলঙ্কাৰৰ আলোচনা কৰিছে।

*নাট্যশাস্ত্ৰৰ* মতে যি অলঙ্কাৰত ভিন ভিন অধিকৰণৰ বাবে ভিন ভিন অৰ্থযুক্ত শব্দৰ প্ৰকাশক যদি এটা মাত্ৰ বাক্যতে সংযুক্ত হৈ থাকে তাকে দীপক অলঙ্কাৰ বোলে।[17] আকৌ যি অলঙ্কাৰ কাব্য আৰু নাটকত মধুৰ ৰূপত প্ৰকাশিত হয় তাকো দীপক অলঙ্কাৰ বুলি নাট্যশাস্ত্ৰই মত প্ৰকাশ কৰিছে।[18] অৱশ্যে দ্বিতীয়টো সংজ্ঞাক ড° পাৰশনাথ দ্বিৱেদীয়ে পাঠান্তৰ বুলিহে উল্লেখ কৰিছে। দীপক অলঙ্কাৰক বুজাবৰ বাবে নাট্যশাস্ত্ৰই দিয়া উদাহৰণো অতি সুন্দৰ।

'সাৰাংসি হংসৈঃ কুসুমৈশ্চ বৃক্ষা মত্তৈৰ্দ্বিৰেফৈশ্চ সৰোৰুহানি।
গোষ্ঠীভিৰুদ্যানবনানি চৈৱ তস্মিন্ন শূন্যানি সদা ক্ৰিয়ন্তে।।' [19]

অৰ্থাৎ সেই নগৰৰ সৰোবৰ হংসৰে, বৃক্ষ ফুলেৰে, পদুম ফুলবোৰ ভোমোৰাৰে আৰু উদ্যানবোৰ মানুহেৰে সদায় ভৰি থাকে। এই উদাহৰণত সৰোবৰ, বৃক্ষ, পদুম ফুল আৰু উদ্যান এই চাৰিটা শব্দ হংস, ফুল, ভোমোৰা আৰু মানুহ এই চাৰিটা অইন অৰ্থ প্ৰকাশক শব্দ একেটা বাক্যতে সংযুক্ত হৈ এখন সুন্দৰ চিত্ৰ পাঠকৰ আগত ডাঙি ধৰিছে ।

*সাহিত্য-দৰ্পণ* গ্ৰন্থই আকৌ দীপক অলঙ্কাৰক সুধীসকলৰ আগত এনেদৰে ডাঙি ধৰিবলৈ চেষ্টা কৰিছে যে য'ত অপ্ৰস্তুত আৰু প্ৰস্তুত পদাৰ্থত একে জাতীয় ধৰ্মৰ সম্বন্ধ হয় অথবা য'ত অনেক ক্ৰিয়াৰ কাৰক এটাহে মাত্ৰ হয়, তেতিয়া তাকে দীপক অলঙ্কাৰ বোলে।[20] বিশ্বনাথ কবিৰাজে দিয়া উদাহৰণে নিশ্চয় এই সংজ্ঞাটো বুজিবলৈ সহায় কৰিব।

'বলাবলেপাদধুনাপি পূৰ্বৱৎ প্ৰবাধ্যতে তেন জগজ্জিগীষুণা।



সতী চ য়োষিৎপ্ৰকৃতিশ্চ নিশ্চলা পুমাংসমভ্যেতি ভৱান্তৰেষ্বপি।।'

অৰ্থাৎ সেই বিজয়েচ্ছুক শিশুপালে আজিও পূৰ্বৰ দৰে সংসাৰত অশান্তি কৰি আছে। পতিব্ৰতা পত্নী আৰু নিশ্চল প্ৰকৃতিয়ে জন্মান্তৰতো মানুহক অনুগমন কৰে। এই উদাহৰণত নিশ্চল প্ৰকৃতি প্ৰস্তুত আৰু সতী স্ত্ৰী অপ্ৰস্তুত কাৰক হ'লেও একে অনুগমনৰূপ ক্ৰিয়াৰ যোগেদি সম্বন্ধযুক্ত হৈ আছে।

দুয়োটা সংজ্ঞা অনুধাৱন কৰিলে দেখা যায় যে *নাট্যশাস্ত্ৰই* ভিন্ন অৰ্থযুক্ত শব্দক এটা বাক্যতে সংযুক্ত কৰি দীপক অলঙ্কাৰক ডাঙি ধৰিছে। আনহাতে *সাহিত্য-দৰ্পণ* গ্ৰন্থই প্ৰস্তুত আৰু অপ্ৰস্তুত কাৰকক একেটা ক্ৰিয়াৰ দ্বাৰা সংযুক্ত কৰিছে। তথাপিও এই দুটা সংজ্ঞাৰ মাজত মিলো দেখা যায়। নাট্যশাস্ত্ৰৰ উদাহৰণত থকা নগৰখনক প্ৰস্তুত আৰু বাকী কাৰক বোৰক অপ্ৰস্তুত বুলি ধৰিলে দেখা যায় যে একেই ক্ৰিয়া 'ভৰি থকা'ৰ দ্বাৰা বাকী কাৰ্য সমূহ সম্পন্ন হৈছে। কেৱল *নাট্যশাস্ত্ৰত* ভিন ভিন কাৰকক এটা বাক্যত সংযুক্ত কৰা হৈছে আৰু *সাহিত্য-দৰ্পণত* দুটা ভিন প্ৰকৃতিৰ কাৰ্যক এটা ক্ৰিয়াৰ দ্বাৰা সংযুক্ত কৰি প্ৰকাশ কৰিবলৈ চেষ্টা কৰা হৈছে।

ৰূপক অলঙ্কাৰৰ সংজ্ঞা দিবলৈ গৈ *নাট্যশাস্ত্ৰই* কৈছে যে যি অলঙ্কাৰ নিজৰ বিকল্পৰ দ্বাৰাই ৰচিত হয়, যি সমান অবয়ব যুক্ত আৰু কিঞ্চিৎ সাদৃশ্যৰ দ্বাৰা সম্পন্ন হয়, তাকেই ৰূপক অলঙ্কাৰ বোলে।[21] ইয়াৰ পাঠান্তৰ লাভ কৰা যায় এনেদৰে যে, বহুতো দ্ৰব্যৰে সম্পৰ্ক যুক্ত হৈ আৰু ঔপম্যৰ গুণৰ আশ্ৰয় লৈ যি অলঙ্কাৰ বৰ্ণিত হয় তাকেই ৰূপক বোলে।[22] ৰূপক অলঙ্কাৰৰ এই সংজ্ঞাৰ ওপৰত আধাৰ কৰি অভিনৱগুপ্তাচাৰ্যই ৰূপকৰ ভেদ দুই প্ৰকাৰৰ বুলি মত প্ৰকাশ কৰিছে। সেয়া হ'ল—(১) সমান অবয়ব যুক্ত সকলো অৱয়বীকে অন্যৰ ৰূপত আৰোপ কৰা আৰু (২) কিঞ্চিৎ সাদৃশ্য যুক্ত ৰূপত আৰোপ কৰা।[23] ভৰত মুনিয়ে উদাহৰণ স্বৰূপে প্ৰস্তুত কৰা শ্লোকত 'পদ্মাননাস্তাঃ কুমুদপ্ৰহাসা' অৰ্থাৎ পদুম ফুলৰ দৰে মুখযুক্ত আৰু ভেঁট ফুলৰ দৰে হাঁহি আদিৰ দ্বাৰা নাৰীৰ সৌন্দৰ্য বৰ্ণনা কৰিছে আৰু এনেদৰেই ইয়াত ৰূপক অলঙ্কাৰ পৰিস্ফুট হৈছে। কাৰণ ইয়াত পদুম ফুলৰ সৌন্দৰ্যক নাৰীৰ মুখত আৰু ভেঁট ফুলৰ সৌন্দৰ্যক তেওঁৰ হাঁহিত আৰোপ কৰা হৈছে।

*সাহিত্য-দৰ্পণৰ* মতে নিষেধ ৰহিত বিষয় অৰ্থাৎ উপমেয়ত উপমানৰ আৰোপ কৰাই হৈছে ৰূপক অলঙ্কাৰ।[24] এই অলঙ্কাৰক বিশ্বনাথ কবিৰাজে

পৰম্পৰিত, সাঙ্গ আৰু নিৰঙ্গ নামেৰে তিনিভাগত প্ৰথমে ভাগ কৰিছে। যেতিয়া এটা আৰোপ আন এটা আৰোপৰ কাৰণ হয়, তেতিয়া তাক পৰম্পৰিত ৰূপক বুলি দৰ্পণকাৰে কৈছে। এই পৰম্পৰিত ৰূপক দুই প্ৰকাৰৰ — শ্লিষ্টশব্দনিবন্ধন আৰু অশ্লিষ্টশব্দনিবন্ধন। যেতিয়া অঙ্গীৰ সকলো অঙ্গতে ৰোপণ কৰা হয় তেতিয়া তাক সাঙ্গৰূপক বুলি সংজ্ঞা দিছে *সাহিত্য-দৰ্পণে*। এই সাঙ্গৰূপকো দুই প্ৰকাৰৰ — সমস্তবস্তুবিষয়ক সাঙ্গৰূপক আৰু একদেশবিৱৰ্তি সাঙ্গৰূপক। আকৌ যেতিয়া কেৱল অঙ্গীৰহে ৰোপণ কৰা হয় তেতিয়া তাক নিৰঙ্গ ৰূপক বুলি কোৱা হয়। নিৰঙ্গৰূপককো মালা ৰূপক আৰু কেৱল ৰূপক নামে দুটা বিভাগ কৰা হৈছে। এনেদৰে ৰূপক অলঙ্কাৰৰ আঠ প্ৰকাৰৰ বিভাগ লাভ কৰা যায়। উদাহৰণ স্বৰূপে 'মুখকমলং' বুলি ক'লে পদুমৰ সৌন্দৰ্য মুখত আৰোপ কৰা বুলি বুজা যায়।

এই আলোচনাৰ পৰা দেখা যায় যে, ৰূপক অলঙ্কাৰৰ ক্ষেত্ৰত নাট্যশাস্ত্ৰকাৰ আৰু দৰ্পণকাৰ উভয়ে একমত। উভয়েই এটা আৰোপ আন এটাত ৰোপণ কৰা কাৰ্যকে ৰূপক অলঙ্কাৰ আখ্যা দিছে।

উল্লেখযোগ্য যে উপমা, দীপক আৰু ৰূপক হৈছে কাব্যৰ অৰ্থালঙ্কাৰ। ভৰত মুনিয়ে কাব্যৰ শব্দালঙ্কাৰৰ স্বৰূপ বৰ্ণনা কৰিবলৈ গৈ যমক অলঙ্কাৰৰ উপস্থাপন কৰিছে।

কাব্যৰ পাদৰ আদি, মধ্য আৰু অন্তত বিকল্প ভাৱে যুক্ত হোৱা শব্দৰ অভ্যাস বা আবৃত্তিকে যমক বোলে।[২৫] অভিনৱগুপ্তই যমক অলঙ্কাৰক বুজাবলৈ গৈ কৈছে যে 'যম' শব্দৰ অৰ্থ যুগল। সেইবাবে এটা আখৰ, পদ বা বাক্য দ্বিতীয় আখৰ, পদ বা বাক্যৰ সৈতে সদৃশ আৰু শোভাজনক হ'লে তাক যমক অলঙ্কাৰ বুলি কোৱা হয়। এই যমক অলঙ্কাৰক আকৌ *নাট্যশাস্ত্ৰই* দহ প্ৰকাৰত বিভক্ত কৰিছে। সেয়া হৈছে— পাদান্ত যমক, কাঞ্চী যমক, সমুদ্‌গ যমক, বিক্ৰান্ত যমক, চক্ৰবাল যমক, সংদষ্ট যমক, পাদাদি যমক, আম্ৰেড়িত যমক, চতুৰ্ব্যৱসিত যমক আৰু মালা যমক।

কাব্যৰ চাৰিওটা পাদৰ অন্তত এক বা একাধিক, সমান বা একে আখৰ থাকিলে তাক পাদান্ত যমক, শ্লোকৰ পাদৰ আদি বা অন্তত সমান পদ থাকিলে কাঞ্চী যমক, এটা মাত্ৰ অৰ্থ অৰ্থাৎ পূৰ্বাৰ্দ্ধৰ দ্বাৰাই সম্পূৰ্ণ বৃত্তৰ সমাপ্তি হ'লে সমুদ্‌গ যমক, য'ত এটা পাদ এৰি পাছৰ পাদৰ লগত সমান হোৱা দেখা যায় তাক বিক্ৰান্ত যমক, য'ত পূৰ্ব পাদৰ অন্তিম শব্দ দ্বিতীয় পাদৰ আদিতে লাভ কৰা যায় তাক চক্ৰবাল যমক, পাদৰ আদিতে দুটা সমান পদৰ আবৃত্তি হ'লে সন্দষ্ট যমক, পাদৰ আদিত সমান পদৰ আবৃত্তি হ'লে পাদাদি যমক, প্ৰত্যেক পাদৰ অন্তিম পদ দুবাৰকৈ আবৃত্তি হ'লে আম্ৰেড়িত যমক, যাৰ চাৰিওটা পাদত একেখিনি আখৰেৰে সকলো পাদ সমান হয় তাক চতুৰ্ব্যৱসিত যমক আৰু য'ত স্বৰ নানা ৰূপত আৰু ব্যঞ্জন একে ৰূপত হয় তাক *নাট্যশাস্ত্ৰই* মালা যমক বুলি উল্লেখ কৰিছে।



বিশ্বনাথ কবিৰাজৰ *সাহিত্য-দৰ্পণ* গ্ৰন্থৰ মতে একে অৰ্থযুক্ত অথবা পৃথক অৰ্থযুক্ত স্বৰ বা ব্যঞ্জন নিৰ্বিশেষে একেটা ক্ৰমতে হোৱা আবৃত্তিয়েই যমক অলঙ্কাৰ ।[২৬] যমক অলঙ্কাৰৰ বিশ্বনাথ কবিৰাজে প্ৰদান কৰা উদাহৰণটি ইমান সুন্দৰ যে ইয়াত উদ্ধৃত কৰাৰ পৰা বিৰত থাকিব নোৱাৰিলোঁ।

'নৱপলাশ-পলাশবনং পুৰঃ স্ফুটপৰাগ-পৰাগত-পঙ্কজম্।
মৃদুল-তান্ত-লতান্তমলোকয়ত্স সুৰভিং সুৰভিং সুমনোহৰৈঃ।।'

এই উদাহৰণত পলাশ, পৰাগ, লতান্ত আৰু সুৰভি শব্দৰ দুবাৰকৈ হোৱা আবৃত্তিয়ে যমক অলঙ্কাৰক সুন্দৰকৈ ফুটাই তুলিছে।

দুয়োটা সংজ্ঞা মন কৰিলে দেখা যায় যে শব্দৰ আবৃত্তিকে দুয়োজন আলঙ্কাৰিকে যমক অলঙ্কাৰ বুলি উল্লেখ কৰিলেও *নাট্যশাস্ত্ৰৰ* সংজ্ঞাতকৈ *সাহিত্য-দৰ্পণৰ* সংজ্ঞা অধিক স্পষ্ট যেন অনুভৱ হয়। *নাট্যশাস্ত্ৰৰ* দৰে *সাহিত্য-দৰ্পণে* যমক অলঙ্কাৰৰ কোনো বিভাজন কৰা নাই। তাৰ পৰিৱৰ্তে কাব্যৰসিকৰ বাবে যমক অলঙ্কাৰ সহজবোধ্য কৰি তোলা যেন অনুমান হয়।

উপৰোক্ত আলোচনাৰ পৰা প্ৰতীয়মান হয় যে পূৰ্বসূৰী ভৰতৰ প্ৰভাৱ উত্তৰসূৰী বিশ্বনাথ কবিৰাজৰ ৰচনাত পৰিলেও তেওঁ ভৰতৰ সিদ্ধান্তক পৰিস্ফুট কৰিবলৈ চেষ্টাৰ কোনো ত্ৰুটি কৰা নাই। এই আলোচনাৰ প্ৰাৰম্ভতে কোৱা হৈছে যে প্ৰাচীনতম অলঙ্কাৰ শাস্ত্ৰ হিচাপে নাট্যশাস্ত্ৰৰ প্ৰভাৱ তুলনামূলক ভাৱে অৰ্বাচীন অলঙ্কাৰ শাস্ত্ৰসমূহত নিশ্চিত ৰূপত পৰিছে। কিন্তু অলঙ্কাৰ শাস্ত্ৰ ক্ৰমবৰ্দ্ধনশীল হোৱা বাবে অলঙ্কাৰ শাস্ত্ৰৰ উত্তৰসূৰী সকলে নিজস্ব চিন্তাধাৰাৰ সংযোজনেৰে এই বিষয়টিক আৰু বিস্তৃত আৰু সহজবোধ্য কৰি তুলিছে। সেইবাবেই নাট্যশাস্ত্ৰৰ মাত্ৰ চাৰিবিধ অলঙ্কাৰৰ ঠাইত অপ্পয়দীক্ষিতৰ 'কুবলয়ানন্দত' এশ পোন্ধৰ বিধ অলঙ্কাৰৰ উল্লেখ পোৱা যায়। বিশ্বনাথ

কবিৰাজৰ ‘সাহিত্য-দৰ্পণো’ ইয়াৰ ব্যতিক্ৰম নহয়। এই গ্ৰন্থত লাভ কৰা উপমা অলঙ্কাৰৰ বিস্তৃত বিৱৰণেই ইয়াৰ প্ৰমাণ। প্ৰকৃততে কবিৰ কাব্য প্ৰতিভাই নতুন অলঙ্কাৰ সৃষ্টিৰ মূল কাৰণ। নাট্যশাস্ত্ৰীয় চাৰিটা অলঙ্কাৰৰ ঠাইত সাহিত্য-দৰ্পণত যাঠিৰো অধিক অলঙ্কাৰ থাকিলেও তুলনাৰ সুবিধাৰ্থে সাহিত্য-দৰ্পণ গ্ৰন্থৰো কেৱল চাৰিটা অলঙ্কাৰহে আলোচনাৰ বাবে গ্ৰহণ কৰা হ'ল।

## পাদ-টীকা

১) নাট্যাখ্যং পঞ্চমং বেদং সেতিহাসং কৰোম্যহম্। নাঃশাঃ, ১।১।১৬, পৃঃ ৪০

২) ঐ, ১।১।১১৮, পৃঃ ১২৩

৩) শব্দাৰ্থয়োৰস্থিৰা য়ে ধৰ্মা শোভাতিশায়িনঃ। ৰসাদীনুপকুৰ্বন্তোऽলঙ্কাৰাস্তেऽঙ্গদাদিৱৎ।। সাঃদঃ, ১০।১, পৃঃ ২৭৩

৪) উপমা ৰূপকং চৈৱ দীপকং য়মকং তথা। অলঙ্কাৰাস্তু বিজ্ঞেয়াশ্চত্বাৰো নাটকাশ্ৰয়াঃ।। নাঃশাঃ ৩।১৬।৪০, পৃঃ ৪৪০

৫) উপমাদীপকং চৈৱ ৰূপকং য়মকং তথা। কাব্যস্যেতে হ্যলঙ্কাৰাশ্চত্বাৰঃ পৰিকীৰ্তিতাঃ।। ঐ, ৩।১৬,পৃঃ ৪৪০

৬) য়ৎকিঞ্চিৎ কাব্যবন্ধেষু সাদৃশ্যেনোপমীয়তে। উপমা নাম সা জ্ঞেয়া গুণাকৃতি সমাশ্ৰয়া।। ঐ, ৩।১৬।৪১, পৃঃ ৪৪৩

৭) ঐ, ৩।১৬।৪৯, পৃঃ ৪৪৬

৮) শেষা য়ে লক্ষণৈৰ্নোক্তাস্তে গ্ৰাহ্যাঃ কাব্যলোকতঃ।। ঐ, ৩।১৬।৫২, পৃঃ ৪৪৮

৯) সাম্যং বাচ্যমবৈধৰ্ম্যং বাক্যৈক্য উপমা দ্বয়োঃ। সাঃদঃ, ১০।১৪, পৃঃ ২৯২

১০) উপমানানুপাদানে দ্বিধা বাক্যসমাসয়োঃ। ঐ, পৃঃ ২৯৭

১১) ঔপম্যবাচিনো লোপে সমাসে ক্বিপি চ দ্বিধা। ঐ, ১০।২০, পৃঃ ২৯৮

১২) দ্বিধা সমাসে বাক্যে চ লোপে ধৰ্মোপমানয়োঃ। ঐ, ১০।২১, পৃঃ ২৯৮

১৩) ক্বিপ্সমাসগতা দ্বেধা ধৰ্মেৱাদিৱিলোপনে। ঐ, ১০।২১, পৃঃ ২৯৯

১৪) উপমেয়স্য লোপে তু স্যাদেকা। ঐ, ১০।২২, পৃঃ ২৯৯

১৫) ধৰ্মোপমেয়লোপেऽন্যা। ঐ, ১০।২২, পৃঃ ২৯৯

১৬) ত্ৰিলোপে চ সমাসগা। ঐ, ১০।২২, পৃঃ ৩০০

১৭) নানাধিকৰণাৰ্থানাং শব্দানাং সংপ্ৰদীপকম্। একবাক্যেন সংয়ুক্তং তদ্দীপকমুচ্যতে।। নাঃ শাঃ, ৩।১৬।৫৩, পৃঃ ৪৪৮

১৮) প্ৰসৃতং মধুৰং চাপি গুণৈঃ সৰ্বৈৰলঙ্কৃতম্। কাব্যে য়ন্নাটকে বিপ্ৰাস্তদ্দীপকমিতি স্মৃতম্।। ঐ, ৩। ১৬।৫৪, পৃঃ ৪৪৮

১৯) ঐ, ৩।১৬।৫৫, পৃঃ ৪৪৯



২০) অপ্ৰস্তুতপ্ৰস্তুতয়োৰ্দীপকং তু নিগদ্যতে। অথ কাৰকমেকং স্যাদনেকাসু ক্ৰিয়াসু চেৎ।। সাঃদঃ, ১০।৪৯, পৃঃ ৩২৮

২১) স্ববিকল্পেন ৰচিতং তুল্যাবয়বলক্ষণম্। কিঞ্চিৎসাদৃশ্যসম্পন্নং য়দ্ৰূপং ৰূপকং তু তৎ।। নাঃ শাঃ, ৩।১৬।৫৬, পৃঃ ৪৪৯

২২) নানাদ্ৰব্যানুৰাগাদ্যৈৰ্যদৌপম্যগুণাশ্ৰয়ম্। ৰূপনিৰ্বৰ্ণনায়ুক্তং তদ্ৰূপকমিতি স্মৃতম্।।ঐ, ৩।১৬।৫৭, পৃঃ ৪৪৯

২৩) তুল্যৈৰবয়বৈঃ সৰ্বৈৰেবান্যৰূপীকৃতৈৰ্যুক্তং, য়দি ৱা কিঞ্চিৎসাদৃশ্যয়ুক্তং ৰূপিতম্। ঐ, ৩।১৬, পৃঃ ৪৫০

২৪) ৰূপকং ৰূপিতাৰোপো বিষয়ে নিৰপহ্নৱে। সাঃদঃ, ১০।২৮, পৃঃ ৩০৩

২৫) শব্দাভ্যাসস্তু য়মকং পদাদিষু বিকল্পিতম্। বিশেষদৰ্শনঞ্চাস্য গদতো মে নিবোধত।। নাঃশাঃ ৩।১৬।৫৯, পৃঃ ৪৫২

২৬) সত্যৰ্থে পৃথগৰ্থায়াঃ স্বৰব্যঞ্জনসংহতেঃ। ক্ৰমেণ তেনৈবাবৃত্তিৰ্য়মকং বিনিগদ্যতে।। সাঃদঃ, ১০।৮, পৃঃ ২৮০

## প্ৰসঙ্গ-পঞ্জী


১) বিশ্বনাথ কবিৰাজ , সাহিত্য-দৰ্পণ, শ্ৰীশালগ্ৰাম শাস্ত্ৰী সম্পাদিত, মোতীলাল বেনাৰসী দাস, ১৯৭৭

২) ভৰত, নাট্যশাস্ত্ৰ, ড° পাৰসনাথদ্বিবেদী সম্পাদিত, সম্পূৰ্ণানন্দ সংস্কৃত বিশ্ববিদ্যালয়, ২০০১

৩) ড°নৱেন্দ্ৰ নাথ শৰ্মা, পণ্ডিতৰাজ জগন্নাথ আৰু ভাৰতীয় নন্দনতত্ত্ব, ভাৰতী প্ৰকাশ,১৯৮৮

# सुभाषितानि

परोक्षे कार्यहन्तारं प्रत्यक्षे प्रियवादिनम्।
वर्जयेत् तादृशं मित्रं विषकुम्भं पयोमुखम्।।
পৰোক্ষে কাৰ্যহন্তাৰং প্ৰত্যক্ষে প্ৰিয়বাদিনম্।
বৰ্জয়েৎ তাদৃশং মিত্ৰং বিষকুম্ভং পয়োমুখম্।।

অসমীয়া অৰ্থ— পৰোক্ষভাৱে কাৰ্য নষ্ট কৰোঁতা আৰু সন্মুখত মধুৰ বচন কওঁতা মিত্ৰক ভিতৰত বিষ আৰু ওপৰত গাখীৰেৰে পূৰ্ণ কলহৰ দৰে ত্যাগ কৰিব লাগে।

दुर्जनेन समं सख्यं वैरश्चाऽपि न कारयेत्।
उष्णो दहति चाङ्गारः शीतः कृष्णायते करम्।।
দুৰ্জনেন সমং সখ্যং বৈৰশ্চাऽপি ন কাৰয়েৎ।
উষ্ণো দহতি চাঙ্গাৰঃ শীতঃ কৃষ্ণায়তে কৰম্।।

অসমীয়া অৰ্থ— দুৰ্জনৰ লগত শত্ৰুতা অথবা মিত্ৰতা একোৱেই কৰিব নালাগে। কিয়নো সেইজন দুয়োক্ষেত্ৰতে ক্ষতিকাৰক। যেনেকৈ তপত এঙাৰ চুলে হাত পোৰে আৰু ঠাণ্ডা হোৱাৰ পিছত চুলে হাত ক'লা কৰে।

दुर्जनः प्रियवादी च नैतद्विश्वासकारणं।
मधु तिष्ठति जिह्वाग्रे हृदि हलाहलं विषम्।।
দুৰ্জনঃ প্ৰিয়বাদী চ নৈতদ্বিশ্বাসকাৰণং।
মধুং তিষ্ঠতি জিহ্বাগ্ৰে হৃদি হলাহলং বিষম্।।

অসমীয়া অৰ্থ— দুৰ্জন লোক প্ৰিয়বাদী হ'লেও বিশ্বাস কৰিব নালাগে। কিয়নো তেওঁলোকৰ জিভাতহে মধু থাকে, অন্তৰখন বিষেৰে পৰিপূৰ্ণ।

## মহাবিদ্যালয়ৰ সংস্কৃত বিভাগৰ গৌৰৱ

## ২০১৬ বৰ্ষৰ স্নাতক পৰীক্ষাত প্ৰথম শ্ৰেণীৰ পঞ্চম স্থান প্ৰাপক



পিকিং চাংমাই

# ডিব্ৰু মহাবিদ্যালয়ত সংস্কৃত কৰ্মশালা

ডিব্ৰুগড় ঃ ষ্টাফ ৰিপ'ৰ্টাৰ, ২১ মাৰ্চ ঃ যোৱা ৯ ৰ পৰা ১৯ মাৰ্চলৈকে ডিব্ৰু মহাবিদ্যালয়ৰ সংস্কৃত বিভাগৰ উদ্যোগত এক সৰল সংস্কৃত সম্ভাষণ কৰ্মশালা অনুষ্ঠিত হয়। কৰ্মশালাৰ প্ৰশিক্ষক আছিল সংস্কৃত ভাৰতী ডিব্ৰুগড় শাখাৰ সংযোজক অনন্ত চেতিয়া। কৰ্মশালাৰ ছাত্ৰ অংশুমান দিহিঙীয়াই তেওঁৰ অনুভৱ সংস্কৃতত আগবঢ়ায়। কৰ্মশালাত ছাত্ৰ বীৰেন শইকীয়াৰ দ্বাৰা লিখিত আৰু পৰিচালিত 'সংস্কৃত সম্ভাষণ' শীৰ্ষক নাটকো প্ৰদৰ্শন কৰা হয়। বিভাগীয় মুৰব্বী মধুমিতা গোস্বামী বৰঠাকুৰে আঁত ধৰা অনুষ্ঠানটোৰ শেষত সহযোগী অধ্যাপিকা ড° অদিতি বৰুৱাই শলাগৰ শৰাই আগবঢ়ায়।

# ভাষাৰ মোল নুবুজাৰ বাবেই নিজৰ নিজৰ ভাষা ভুলকৈ লিখিবলৈ-ক'বলৈ আৰম্ভ কৰিছেঃ ড° শইকীয়া

ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ১০ মাৰ্চঃ ডিব্ৰুগড়ৰ উচ্চ শিক্ষানুষ্ঠান ডিব্ৰু কলেজৰ 'আইকেক' আৰু সংস্কৃত বিভাগৰ উদ্যোগত সফলভাবে সংস্কৃত শিবিৰ পৰাকে বুধবাৰে 'সংস্কৃত সাৰথি' নামৰ এখন হাতপুথি উন্মোচন কৰা হয়। পুথিখন উন্মোচন কৰে প্ৰতিষ্ঠিত সাহিত্যিক ড° নগেন শইকীয়াই। উন্মোচনী ভাষণত সাহিত্যিকগৰাকীয়ে সংস্কৃত ভাষা শিক্ষাৰ প্ৰয়োজনীয়তা সম্পৰ্কত কয় যে ভাষাৰ গঠন প্ৰক্ৰিয়া জানিবলৈ হ'লে ব্যাকৰণ জানিব লাগিব আৰু ব্যাকৰণ জানিবলৈ যাওঁতে মূলৰ ওচৰলৈ যাব লাগিব। সেয়ে অসমীয়া ভাষাকে আদি কৰি অন্য ভাৰতীয় ভাষা শুদ্ধকৈ শিকিবৰ বাবে সংস্কৃত ভাষা শিক্ষাৰ অতিকে প্ৰয়োজন। বিশেষকৈ উত্তৰ ভাৰতীয় ভাষাৰ বৰ্তমানৰ ছাত্ৰ-ছাত্ৰীসকলে এই ভাষাটোৰ মোল নজনাৰ বাবেই নিজৰ নিজৰ ভাষা ভুলকৈ লিখিবলৈ আৰু ক'বলৈ আৰম্ভ কৰিছে। সংস্কৃত ভাষাটো বিদ্যালয় পৰ্যায়ত পাঠ্যক্ৰমত বাধ্যতামূলককৰণৰ পৰা আঁতৰাই ৰখাৰ বাবেই এই অৱস্থাৰ সৃষ্টি হৈছে বুলি ড° শইকীয়াই মন্তব্য কৰে। 'সংস্কৃত সাৰথি' পুথিখন সম্পাদনা কৰিছেনাহৰকটীয়া সংস্কৃত বিদ্যালয়ৰ প্ৰধান অধ্যাপক অনন্ত চেতিয়াই। তেওঁৰ যত্নমানৰ আগতে প্ৰস্তুত কৰা এই হাত পুথিখন প্ৰকাশৰ মুখ দেখুওৱাৰ বাবে কলেজখনৰ বিভাগীয় অধ্যাপক অদিতি বৰুৱা আৰু মধুমিতা গোস্বামী বৰঠাকুৰৰ [illegible]

# -ডিব্ৰু কলেজত সংস্কৃত দি[illegible]

[illegible]